বাকী দুই চাৰিজনৰ লগতে বৈ থাকিল লিখক, কামিনী দাস, গোলক দেউৰী আৰু স্বৰ্গীয় কমলা ৰাভা (গাওঁ পানেৰী) এওঁলোকক দেখিয়েই বগা চাহাব কমাণ্ডাৰ জনে প্ৰশ্ন কৰিলে হোৱাট আৰ্ ডুইয়িং (What are doing) কি কৰি আছা? আৰু শেষত দাৰোগা বাবুৰ কথামতে এই চাৰিজন ব্যক্তিক গ্ৰেপ্তাৰ কৰি বকো থানালৈ অনা হ'ল। এওঁলোকক বন্দুকৰ আগত থকা সঙ্গিনৰ মাজত থানাত হাজিৰ কৰা হ'ল। সেই দিনাই আবেলি চটা মান বজাত এওঁলোকক হাতত হাত কেৰেয়া লগাই গুৱাহাটীলৈ প্ৰেৰণ কৰা হয়। সেই দিনা ছয়গাঁৱলৈ আহিছিল সেই সময়ৰ গুৱাহাটী লোকেল বোৰ্ডৰ চেয়াৰমেন স্বৰ্গীয় উমেশ চন্দ্ৰ চৌধুৰী। তেখেতে আমাক নিয়া মটৰখনতে গুৱাহাটীলৈ বুলি উঠিছিল। তেখেতে উক্ত জেলযাত্ৰীসকলৰ খা-খবৰ লৈছিল আৰু তেওঁলোকক সাহস দিছিল। এই খিনিতে তেখেতলৈ স্মৃতি তৰ্পন নকৰি নোৱাৰিলোঁ।

ইয়াৰ কিছুদিন পিছতে বকো অঞ্চলৰ ৰাইজে বকোত এমাইল জোৰা শোভাযাত্ৰা কৰি বৃটিছ প্ৰতিভূ লীগ পন্থী চান্দুলা চৰকাৰক ত্ৰস্তমান কৰি তুলিছিল। আমাক গ্ৰেপ্তাৰ কৰাৰ কিছুদিন আগতে শান্তিপুৰ ফৰেষ্ট বিট্ অফিচ জ্বলোৱাৰ অপৰাধত বৰখাল-নীলাঘাট অঞ্চলৰ শ্ৰীকাতি ৰাম গাওঁবুঢ়া ˚মুহিন চন্দ্ৰ দাস আৰু কেবাজনক (নাম মনত নাই) গ্ৰেপ্তাৰ কৰি গুৱাহাটী জেললৈ প্ৰেৰণ কৰে।

আমাক গ্ৰেপ্তাৰ কৰাৰ এসপ্তাহৰ অন্তত লুকি মৌজাৰ পৰা বন্দাপাৰাৰ ˚খুতীয়া মহাজন, পুতেক শ্ৰীপীতাম্বৰ দাস, ˚মথুৰা লহকৰ আৰু ˚নন্দৰাম ৰাভাক গ্ৰেপ্তাৰ কৰি জেলত সুমুৱায় এইজন মথুৰা লহকৰে শেষত সমাজত মতুৰা নাথ লহকৰজী হয়। ১৯৪৪ চনত স্থাপন হোৱা মৌমান সেৱাশ্ৰমৰ এখেত অন্যতম প্ৰতিষ্ঠাপক আছিল। ইয়াৰ পিচত সেই বছৰৰ আঘোন মাহত টেপচিয়া গাঁৱৰ নিবাসী ˚চণ্ডী চৰণ দাসক˚ থানাৰ পুলিচক আন্দোলনৰ খা-খবৰ নিদিয়া অপৰাধত গ্ৰেপ্তাৰ কৰি জেললৈ পঠিয়াই দিয়ে। এই সময়তে ভালুকঘাটাৰ ˚নবীন শৰ্মাকো গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছিল। ইয়াৰোপৰি বেকেলী মৌজাৰ খলিহা মাজপাৰা গাঁৱৰ নিবাসী ˚জীৱন চন্দ্ৰ বৈদ্য আৰু কেইবাজনো গ্ৰেপ্তাৰ হৈ জেললৈ গৈছিল।

এই অঞ্চলৰ যিসকলে এইদৰে বিয়াল্লিশৰ গণ-আন্দোলনত জপিয়াই পৰি জেল যাতনা ভুগিব লগাত পৰিছিল আৰু বাহিৰত থাকি আন্দোলনৰ কামত লাগি আছিল আৰু আন্দোলন সফল কৰি তুলিছিল; সেই সকলোলৈও লিখকে আন্তৰিক শ্ৰদ্ধা তৰ্পণ কৰিলোঁ। এই গণ-আন্দোলনৰ নামত টেলিগ্ৰাফ, তাঁৰ কটা দলং ভঙা অপৰাধত এই অঞ্চলৰ ৰাইজে পাইকাৰী জৰিমনা ভৰিব লগাত পৰিছিল। বকো-বনগাঁও মৌজাৰ ৫/৬ খন গাঁৱৰ ৰাইজৰ পৰা ৰৰশৰ ওপৰ টকা পায়কাৰী জৰিমনা হিচাপে বৃটিছ চৰকাৰে আদায় কৰিছিল।

দেশৰ জ্ঞাত অজ্ঞাত অগণন জনতাৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলত দেশে ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতাৰ সুপ্ৰভাত দেশবাসীৰ লগতে বকো অঞ্চলৰ ৰাইজেও দেখিবলৈ পালে। দেশৰ নৰ-নাৰীৰ মনত অপাৰ আনন্দ। দিল্লী, ছিলং, দিছপুৰৰ শাসন যন্ত্ৰ বদলি গ'ল। প্ৰশাসক বগা চাহাবৰ পৰিবৰ্তে দেশৰ নেতৃবৃন্দৰ হাতলৈ শাসনৰ দায়িত্ব আহিল। বছৰৰ পোন্ধৰ আগষ্ট দিনটো দেশ বাসীয়ে সোঁৱৰণ কৰিব। আমি বকো অঞ্চলৰ ৰাইজেও সুঁৱৰিম। ইতিমধ্যে দেশ প্ৰগতিৰ পথত আগ বাঢ়ি আছে সঁচা কিন্তু অপ্ৰিয় হ'লেও সঁচা কব লাগিব দেশৰ সৰ্ব্বসাধাৰণ ৰাইজ বিশেষকৈ গাঁৱৰ কৃষক বনুৱাৰ আজিলৈকে আৰ্থিক উন্নয়ন নহ'ল। গণতন্ত্ৰ, পঞ্চায়ত ৰাজ, বিকেন্দ্ৰীকৰণ শাসন ব্যৱস্থা ভেকো ভাৱনা স্বৰূপ হৈ থাকিল। মহামানৱ মহাত্মা গান্ধীৰ ৰাম ৰাজ্যৰ ঠাইত হাৰাম ৰাজ্য হৈ পৰিল। ঐক্যতা সংহতিৰ নামত অনৈক্য , বিভেদ আৰু অবিশ্বাসৰ ধুমুহা প্ৰবল গতিত বৈ পৰিছে।

স্বাধীনতা সংগ্ৰামৰ উত্তৰ পুৰুষ আৰু দেশৰ জনসাধাৰণ লগতে এই বকো অঞ্চলৰ হালোৱা, হজুৱাসকলে ইমান দিনে কি পালে, নেপালে তাৰ খটিয়ান লোৱাৰ দৰকাৰ হৈছে। মুঠতে অৰ্থনৈতিক স্বাধীনতাৰ বাবে, আত্ম প্ৰতিস্থাৰ বাবে এই অঞ্চলৰ জনসাধাৰণ তথা বকো ৰাইজে দৃঢ় পদক্ষেপ ল'ব লাগিব। গাঁৱৰ ৰাইজে গাঁৱতে স্বৰগ ৰচনা কৰিব লাগিব। এয়ে আছিল প্ৰিয় বাপুজীৰ ৰাম ৰাজ্যৰ কল্পনা আৰু সপোন। বাপুজীৰ এই স্বপ্ন কেতিয়াকৈ বাস্তৱত ৰূপ ল'ব।

"বন্দে মাতৰম্"

# বৃহত্তৰ বকো অঞ্চলৰ শিক্ষাৰ ইতিহাস, বৰ্তমান আৰু ভৱিষ্যত সম্ভাৱনীয়তা

ড° গণেশ্বৰ চহৰীয়া

বকো

প্ৰায় পাঁচশ বছৰ আগৰ কথা। বৃহত্তৰ বকো অঞ্চলত আধ্যাত্মিক জ্ঞানে মানুহৰ মনত ভগৱৎ প্ৰীতি ভাৱ জগাই তোলাৰ সময়ত এই অঞ্চলতো মূল্যবোধৰ শিক্ষাৰ আৰম্ভণি হৈছিল। আনুষ্ঠানিক ধাৰাৰ মাজেৰে সঠিকভাৱে নহ'লেও সত্ৰ, নামঘৰৰ জৰিয়তে মহাপুৰুষ মাধৱদেৱৰ উদ্যোগত চমৰীয়া অঞ্চলত জ্ঞানৰ পোহৰ পৰিছিল। সংস্কৃত কবি ৰামসৰস্বতীৰ জন্মস্থান চমৰীয়া (মতান্তৰে পছৰীয়া) বুলি কোৱাৰ যুক্তিৰ মাজত সোমাই আছে এই অঞ্চলৰ শিক্ষাৰ ইতিহাসৰ আৰম্ভণিৰ কথা। আধ্যাত্মিক শিক্ষাৰ পৰিসৰে এই অঞ্চলত আনুষ্ঠানিক শিক্ষাৰ প্ৰসাৰ ঘটোৱা কথাটো সহজে অনুমান কৰিব পাৰি। অসমৰ অন্যান্য ঠাইৰ দৰে এই অঞ্চলৰ সত্ৰ আৰু নামঘৰ সমূহেও শিক্ষাৰ আনুষ্ঠানিক ৰূপ প্ৰকাশত মানসিক চিন্তাৰ যোগান ধৰিছিল। সেই দৃষ্টি কোনৰ পৰাই ক'ব পাৰি অঞ্চলটোত আনুষ্ঠানিক শিক্ষাৰ চিন্তা মহাপুৰুষীয়া দিনৰ।

পৰৱৰ্ত্তী সময়ত বৃহত্তৰ বকো অঞ্চলত আধুনিক শিক্ষাৰ সূত্ৰপাত ১৮৬৪ চনৰ পৰা হয়। লুকী ৰজাৰ দিনত প্ৰথম বাৰৰ বাবে আনুষ্ঠানিক শিক্ষানুষ্ঠান হিচাপে স্থাপিত হয় ৮৩নং খলিহা প্ৰাথমিক বিদ্যালয়। প্ৰায় ডেৰশ বছৰীয়া শৈক্ষিক ইতিহাস বকো অঞ্চলৰ খলিহাত প্ৰথমে যি আৰম্ভ হৈছিল সেই শৈক্ষিক পৰিৱেশক বিশেষ মৰ্যাদা নিশ্চয় প্ৰদান কৰিব লাগিব। ১৯৪৭ চনলৈকে এই অঞ্চলত কিছু সংখ্যক প্ৰাথমিক বিদ্যালয় স্থাপন হৈছিল। চাবেক বকোতকৈ ইয়াৰ দাতি-কাষৰীয়া অঞ্চলবোৰত এই শিক্ষানুষ্ঠান সমূহ বেছিকৈ গঢ়ি উঠিছিল। ১৯৩৬ চনত বকোত মাইনৰ স্কুল স্থাপন হোৱাৰ আগতেই শিংৰা নিম্ন বুনিয়াদি বিদ্যালয় ১৯১৩ চনত, হাহিম প্ৰাথমিক বিদ্যালয় ১৯১৮ চনত, নোৱাপাৰা প্ৰাথমিক বিদ্যালয় ১৯১৮ চনত, ডেকাপাৰা প্ৰাথমিক বিদ্যালয় ১৯২৯ চনত, চুকুনীয়াপাৰা প্ৰাথমিক বিদ্যালয় ১৯২৮ চনত, হাহিম এম.ই. স্কুল ১৯২৬ চনত, জোঙাখুলি প্ৰাথমিক বিদ্যালয় ১৯৩৪ চনত আৰু বাকাৰাপাৰা প্ৰাথমিক বিদ্যালয় ১৯৩০ চনত স্থাপন হৈছিল। ইয়াৰ বাহিৰেও ১৯৩৬ চনৰ আগত স্থাপিত হোৱা কিছু সংখ্যক প্ৰাথমিক বিদ্যালয় আছে যিবোৰ বকোৰ বৰ্তমানৰ স্থিতিৰ পৰা কিছু আঁতৰত অৱস্থিত। বকোত প্ৰথম শিক্ষানুষ্ঠান হিচাপে ১৯৩৬ চনত স্থাপিত হোৱা বকো মাইনৰ স্কুলখনে পৰৱৰ্ত্তী সময়ত ১৯৪৯ চনৰ ৪ ফেব্ৰুৱাৰীত বকো হাইস্কুল হিচাপে প্ৰতিষ্ঠা হয়। এই সময়ৰ পাছত যথেষ্ট সংখ্যক প্ৰাথমিক, মধ্য ইংৰাজী আৰু উচ্চ ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা হ'ল। মৌমান সেৱাশ্ৰমত ১৯৪৪ চনত স্থাপিত হয় মৌমান বুনিয়াদী প্ৰাথমিক বিদ্যালয়। গলেৰকা প্ৰাথমিক বিদ্যালয় ১৯৪০ চনত, কম্পাদলী প্ৰাথমিক বিদ্যালয় ১৯৪৫ চনত, টাঙাবাৰী প্ৰাথমিক বিদ্যালয় ১৯৫৮ চনত স্থাপিত হোৱাৰ পাছত ১৯৬২ চনত বকো মজলীয়া বিদ্যালয় স্থাপন হয়। ১৯৪৪ চনত মৌমান সেৱাশ্ৰম প্ৰতিষ্ঠা হোৱাৰ লগে লগে মৌমান প্ৰাথমিক বিদ্যালয়ৰ লগতে ১৯৬৫ চনত লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় হিন্দী মহাবিদ্যালয় (পৰিচয়ৰ পৰা প্ৰবীনলৈ ) স্থাপিত হয়। অৱশ্যে ১৯৫৯ চনত বকো হাইস্কুলত হিন্দী শিক্ষা প্ৰসাৰৰ বাবে ৰাষ্ট্ৰ ভাষা পৰীক্ষা কেন্দ্ৰ (পৰিচয়ৰ পৰা প্ৰবীনলৈ) স্থাপন হয়। বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ নিকটবৰ্ত্তী তিনিখন প্ৰাথমিক বিদ্যালয় হ'ল

১৯৫৬ চনত স্থাপিত হোৱা ডাকুৱাপাৰা প্ৰাথমিক বিদ্যালয়, ১৯৬৩ চনত স্থাপিত হোৱা চোকাবাঁহা প্ৰাথমিক বিদ্যালয় আৰু ১৯৭২ চনত স্থাপিত হোৱা পূৰ্ণ চন্দ্ৰদাস প্ৰাথমিক বিদ্যালয়। বকোৰ আশে পাশে আৰু বহু প্ৰাথমিক বিদ্যালয় আছে যিবোৰ বহুদিন আগতে প্ৰতিষ্ঠা হৈছিল। এইবোৰ প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰী সকল উত্তীৰ্ণ হৈ স্থানীয় উচ্চ মাধ্যমিক বিদ্যালয় সমূহত নাম ভৰ্ত্তি কৰে। সেইবোৰ বিদ্যালয়ৰ পৰা উচ্চ মাধ্যমিক শেহান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত প্ৰায়বোৰে নাম ভৰ্ত্তি কৰে। সেই সমূহ বিদ্যালয়ৰ কিছু সংখ্যক বকোৰ পৰা প্ৰায় ২০ কিলো মিটাৰৰো অধিক দূৰত্বত অৱস্থিত। অঞ্চলটোত থকা বিদ্যালয় সমূহৰ ভিতৰত বকো হাইস্কুল, বকো ছোৱালী হাইস্কুল, বকো ডন বস্ক' হাইস্কুল, শংকৰ দেৱ শিশু/বিদ্যা নিকেতন, জাতীয় বিদ্যালয়, ছমৰীয়া হাইস্কুল, ভালুকঘাটা হাইস্কুল, শিংৰা হাইস্কুল, তাৰাবাৰী হাইস্কুল, শিল্পপীঠ হাইস্কুল, নবোদয় হাইস্কুল , মডেল হাইস্কুল, হাহিম হাইস্কুল, জনতা হাইস্কুল, গোহালকোনা হাইস্কুল, পদ্মপুৰ শিলোবড়ী হাইস্কুল, প্ৰবীন কুমাৰ চৌধুৰী হাইস্কুল, হেক্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, গামেৰীমূৰা হাইস্কুল, বকো কনিষ্ঠ মহাবিদ্যালয়, ২নং যোগীপাৰা লালবাহাদুৰ শাস্ত্ৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, বন্দাপাৰা আঞ্চলিক হাইস্কুল, শাখাতি হাইস্কুল, শোলা বৰালীমাৰা হাইস্কুল, ৰূপনগৰ হাইস্কুল, জামলাই হাইস্কুল আদি উল্লেখযোগ্য। এইবোৰ বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ যথেষ্ট সংখ্যক ল'ৰা ছোৱালী জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত পঢ়িবলৈ আহে। বিগত ৫০ বছৰে এইবোৰ বিদ্যালয়ৰ পৰা পঢ়িবলৈ অহা ছাত্ৰ-ছাত্ৰী পিছলৈ অভিভাৱকসকলৰ নিজৰ ল'ৰা ছোৱালীবোৰে আকৌ ইয়াতে পঢ়িবলৈ হাবিয়াস কৰি আহে। যাহওঁক ১৯৬৪ চনত প্ৰতিষ্ঠা হোৱা জৱাহৰলাল নেহৰু মহাবিদ্যালয়খনে বৃহত্তৰ বকো অঞ্চলত উচ্চ শিক্ষাৰ পৰিৱেশ সৃষ্টি কৰিছে। সুদীৰ্ঘ ৩৫ বছৰে অধ্যক্ষ হিচাপে থাকি এই মহাবিদ্যালয়খনক আগবঢ়াই লৈ যোৱাত প্ৰাক্তন অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথদেৱৰ প্ৰচেষ্টা সকলোৰে জ্ঞাত। জৱাহৰলাল নেহৰু মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সময়ত সভাপতি প্ৰাক্তন পৰিবহন মন্ত্ৰী প্ৰবীন কুমাৰ চৌধুৰী আৰু সম্পাদক প্ৰধান শিক্ষক অচ্যুত কান্ত অধিকাৰীদেৱক সহযোগী হিচাপে থাকি সহায় কৰা ব্যক্তি সকলৰ ভিতৰত প্ৰয়াত শৰৎ চন্দ্ৰ তালুকদাৰ, প্ৰয়াত বিভাষ ভদ্ৰ (সহকাৰী সম্পাদক), প্ৰয়াত জনাৰ্দন শৰ্মা, প্ৰয়াত সত্যৰাম মহন্ত (প্ৰস্তুতি সমিতিৰ সম্পাদকে প্ৰয়োজনত তেওঁৰ পৰা ধন লৈ মহাবিদ্যালয়ৰ কাম-কাজ আবঢ়াই নিছিল, পিছলৈ সেই ধন অৱশ্যে পৰিশোধ কৰিছিল)। শ্ৰীদেৱেশ্বৰ গোস্বামী, প্ৰয়াত পূৰ্ণ দাস (কেৰাণী), প্ৰয়াত ভূৱন দাস আদি অন্যতম ব্যক্তি আছিল। মহাবিদ্যালয়খনত আনুষ্ঠানিক ভাৱে প্ৰথম ক্লাছটো কৰিছিল বসন্ত কুমাৰ দত্তদেৱে। জৱাহৰলাল নেহৰু মহাবিদ্যালয় স্থাপনৰ ৩৪ বছৰৰ পিছত বকো অঞ্চলত উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক পদক্ষেপ লোৱা হয়। ১৯৯৮চনৰ ৩১ মে তাৰিখে স্থানীয় বকো হাইস্কুলত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাই লোৱা এক প্ৰস্তাৱ মৰ্মে কলেজ অৱ এডুকেশ্বন নামেৰে এখন শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্ত লোৱা হয়। মহাবিদ্যালয়খনৰ প্ৰস্তুতি সমিতিৰ বাবে মুক্তিযোদ্ধা কাতিৰাম ৰাভাদেৱক সভাপতি, লক্ষণ প্ৰসাদ ৰাভাদেৱক উপসভাপতি, ড০ গণেশ্বৰ চহৰীয়াক সচিব আৰু শ্ৰীনৰেন শৰ্মাক সহকাৰী সচিব হিচাপে দায়িত্ব প্ৰদান কৰে। প্ৰয়াত অচ্যুৎ কান্ত অধিকাৰী, জনাৰ্দন শৰ্মা, লব কুমাৰ দাস আৰু সুকুমাৰ সৰকাৰ এই সমিতিৰ লগত জড়িত আছিল। 'কলেজ অৱ এডুকেশ্বন, বকোই ১৯৯৯ চনৰ ২ আগষ্টৰ পৰা শিক্ষকৰ শিক্ষাদান পদ্ধতিৰ মানদণ্ড উন্নত কৰাৰ কাৰণে প্ৰশিক্ষণ দি আহিছে। আৰম্ভণিৰ দ্বিতীয় বছৰৰ পৰা বৰ্তমানলৈ প্ৰতিবছৰে বুজন সংখ্যক প্ৰশিক্ষাৰ্থীয়ে প্ৰথম শ্ৰেণী পাই অঞ্চলটোলৈ সুখ্যাতি কঢ়িয়াই আনিছে।

বৃহত্তৰ বকো অঞ্চলত শিক্ষাৰ পৰিৱেশ সৃষ্টি কৰাৰ বাবে যি সকল লোকে বিদ্যালয়, মহাবিদ্যালয় তথা অন্যান্য শিক্ষানুষ্ঠানসমূহ স্থাপন কৰিছিল তাৰ ভিতৰত প্ৰয়াত মুক্তিযোদ্ধা নবীন কলিতা, পূৰ্ণ চন্দ্ৰ দাস, ভূৱন চন্দ্ৰ দাস, অচ্যুত কান্ত অধিকাৰী, জনাৰ্দন শৰ্মা, কল্পনাৰায়ণ মজুমদাৰ (এচ.ডি.চি), লক্ষণ প্ৰসাদ ৰাভা, প্ৰাক্তন মন্ত্ৰী প্ৰবীন কুমাৰ চৌধুৰী, বংশী গোস্বামী, শ্ৰীযুত কাতিৰাম ৰাভা, প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ, শ্ৰীযুত দেৱেশ্বৰ গোস্বামী , শ্ৰীযুত চন্দ্ৰ কান্ত শৰ্মা, প্ৰয়াত শৰৎ তালুকদাৰ, বিদ্যালয় পৰিদৰ্শক প্ৰয়াত ভুৱন কোঁৱৰ, প্ৰয়াত সত্যৰাম মহন্ত আদি শ্ৰদ্ধেয় ব্যক্তি সকলৰ নাম ল'ব লাগিব। প্ৰাথমিক শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত প্ৰয়াত নবীন চন্দ্ৰ কলিতাৰ অৱদান উল্লেখনীয়। তেখেত সচিব হিচাপে থাকি ভেহুৰা, ভালুকঘাটা, ছমৰীয়া , ৰায়পাৰা আৰু কৰকাপাৰা এই পাঁচখন প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল আৰু সময়ত ১৯৫৩ চনত এই বিদ্যালয়কেইখন একেলগে প্ৰাদেশীকৰণ

কৰিব পাৰিছিল। পিছলৈ কৰকাপাৰা হেমচন্দ্ৰ নিম্ন বুনিয়াদী বিদ্যালয়ৰ দায়িত্ব মুক্তিযোদ্ধা মথুৰানাথ লহকৰক অৰ্পণ কৰে। এই খিনিতে বৃহত্তৰ বকো তথা দক্ষিণ কামৰূপ অঞ্চলত ৰাষ্ট্ৰভাষা শিক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা ব্যক্তি সকলৰ কথাও উল্লেখ কৰা ভাল হ'ব। ১৯৪৪ চনত মৌমানত প্ৰথমে ভূবন চন্দ্ৰ দাস আৰু মথুৰানাথ লহকৰে মৌমান সেৱাশ্ৰম প্ৰতিষ্ঠা কৰি অঞ্চলটোত বুনিয়াদি শিক্ষাৰ লগতে ৰাষ্ট্ৰী ভাষা প্ৰচাৰৰ বাবে হিন্দী বিদ্যালয় প্ৰতিষ্ঠাৰ কথা চিন্তা কৰিছিল। পৰৱৰ্তী সময়ত ১৯৬৫ চনত মৌমান সেৱাশ্ৰমত লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় হিন্দী সংস্থা মহাবিদ্যালয় নামেৰে হিন্দী শিক্ষানুষ্ঠান এখন স্থাপন কৰে। প্ৰয়াত নবীন কলিতাসহ এই তিনিগৰাকী মুক্তি যোদ্ধাই অঞ্চলটোত হিন্দী শিক্ষা প্ৰচাৰৰ বাবে অক্লান্ত শ্ৰম কৰিছিল। ইয়াৰ আগতে ১৯৫৯ চনত বকো হাইস্কুলত ৰাষ্ট্ৰভাষা পৰীক্ষা কেন্দ্ৰ এটা স্থাপন হোৱাত ছাত্ৰ-ছাত্ৰীসকলে হিন্দী অধ্যয়নৰ জৰিয়তে চাকৰিত মকৰল হোৱা সুবিধা লাভ কৰে। প্ৰয়াত নবীন কলিতা, শ্ৰীযুত খগেন বায়ন, শ্ৰীযুত সৰ্বেশ্বৰ মহন্ত এই কেন্দ্ৰৰ লগত জড়িত আছিল। বকোৰ পৰা হেকৰা-নগৰবেৰা অঞ্চলত এই ক্ষেত্ৰত বিশেষ ভাৱে এগৰাকী ব্যক্তি জৰিত আছিল – তেওঁ হ'ল শ্ৰীযুত ললিত চন্দ্ৰ উপাধ্যায়।

বৃহত্তৰ অঞ্চলটোৰ শিক্ষাৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি শেহতীয়া ভাৱে ২০০৭ চনত বকোত আন এখন মহাবিদ্যালয় বাইজে প্ৰতিষ্ঠা কৰে। বকো কনিষ্ঠ মহাবিদ্যালয় নামেৰে প্ৰতিষ্ঠা কৰা এই কনিষ্ঠ মহাবিদ্যালয়খনৰ প্ৰস্তুতি সমিতিৰ সভাপতি হৈছে শ্ৰীজ্যোতিপ্ৰসাদ দাস আৰু সচিব তথা প্ৰতিষ্ঠাপক অধ্যক্ষ (অবৈতনিক) হৈছে ড° গণেশ্বৰ চহৰীয়া। অঞ্চলটোৰ শিক্ষাৰ উন্নয়নৰ প্ৰতি লক্ষ্যৰাখি এচাম শিক্ষানুৰাগী ব্যক্তিৰ উদ্যোগত ১৯৯৫ চনত স্থাপিত হয় শংকৰদেৱ শিশু / বিদ্যা নিকেতন। এই অনুষ্ঠানখনৰ প্ৰতিষ্ঠাপক সভাপতি হৈছে কাতিৰাম ৰাভা আৰু সচিব অধিবক্তা ব্ৰজেন তালুকদাৰ। ২০০২ চনৰ ১৭ জানুৱাৰীত স্থাপিত হোৱা আন এখন উল্লেখ্যযোগ্য শিক্ষানুষ্ঠান হৈছে আদৰ্শ জাতীয় বিদ্যালয়, বকো। এই অনুষ্ঠানখনৰ প্ৰতিষ্ঠাপক সভাপতি হৈছে অধ্যাপক শ্ৰীযুত লক্ষীকান্ত শৰ্মা আৰু সচিব হৈছে জগত চৌধুৰী। ইয়াৰ বাহিৰেও বকো ডন বস্ক' সমাজৰ উদ্যোগত বৃত্তিমুখী শিক্ষাৰ বাবে গঢ়ি উঠিছে Bosco Bare footed College। তাৰ পাছত বকোত আন দুখন ইংৰাজী মাধ্যমৰ বিদ্যালয় প্ৰতিষ্ঠা হৈছে Pres Byterian English School আৰু বিবেকানন্দ বিদ্যাপীঠ। বৃহত্তৰ অঞ্চলটোত সংগীত শিক্ষাৰ পৰিৱেশ সৃষ্টিৰ বাবে ১৯৭৮ চনৰ ১৪ আগষ্ট তাৰিখে প্ৰতিষ্ঠা হোৱা বকো সংগীত মহাবিদ্যালয়খনে ইতিমধ্যে ৩৬ বছৰ অতিক্ৰম কৰিছে। এই মহান অনুষ্ঠানখনৰ প্ৰথম পৰিচালনা সমিতিৰ সভাপতি, সচিব আছিল ক্ৰমে ধনীৰাম কলিতা আৰু ভাৰত চৌধুৰী। শ্ৰীনগেন কলিতাৰ পৰিচালনাৰে এই অনুষ্ঠানখনে অঞ্চলটোত সংগীত শিক্ষাৰ পৰিৱেশ গঢ়ি আহিছে। সুকুমাৰ কলা শিক্ষাৰ বাবে বকো কিউড'চ ক্লাৱে ১৯৯২ চনত প্ৰতিষ্ঠা কৰে বকো কিউড'চ আৰ্ট স্কুল। এই বিদ্যালয়খনৰ প্ৰথম পৰিচালনা সমিতিৰ সভাপতি-সচিব আছিল ক্ৰমে শ্ৰীপ্ৰদীপ কলিতা আৰু ড° নৰকান্ত অধিকাৰী। আৰম্ভণিৰে পৰা এই অনুষ্ঠানখন পৰিচালনা কৰি আহিছে শ্ৰীৰূপেন ৰাভাই। নৃত্য শিক্ষাৰ ক্ষেত্ৰত আন এক প্ৰশংসনীয় পদক্ষেপ হৈছে নৃত্যশিল্পী মনোজ দাসৰ পৰিচালনাত ২০০১ চনৰ এপ্ৰিল মাহত প্ৰতিষ্ঠা হোৱা জ্বিমলি ডেন্স ক্লা'ব। নৃত্য শিক্ষাৰ ক্ষেত্ৰত কিছু দিন আগেতে ৰেইনব' নামৰ আন এখন অনুষ্ঠান স্থাপনে অন্য এক মাত্ৰা প্ৰদান কৰিছে আৰু অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক নৃত্য শিক্ষাৰ ক্ষেত্ৰত উদ্‌গণি যোগাইছে। সংগীত শিক্ষাৰ ক্ষেত্ৰত বকোত নৱতম সংযোজন হৈছে সৰস্বতী সংগীত মহাবিদ্যালয়। বকো মিউজিয়ম এণ্ড আৰ্কিঅ'লজিকেল ছোচাইটিৰ উদ্যোগত .২০১৪ চনৰ মাৰ্চ মাহৰ ২৩ তাৰিখে এই অনুষ্ঠানখনৰ জন্ম হৈছে। ইয়াৰ পৰিচালনা সমিতিৰ সভাপতি হৈছে ডাঃ শৰৎ চন্দ্ৰ ৰাভা আৰু সচিব হৈছে শ্ৰীবেণুধৰ ৰাভা। অঞ্চলটোত দূৰবৰ্তী শিক্ষা তথা শিক্ষক প্ৰশিক্ষণৰ বাবে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত IGNOU আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ স্থাপন হৈছে। এই কেন্দ্ৰৰ তত্বাৱধায়ক হৈছে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৃপেন গোস্বামী আৰু সমন্বয়ক হৈছে উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক ড° তপন দত্ত। অৱশ্যে উক্ত কেন্দ্ৰত IGNOU ৰ পাঠ্যক্ৰম বৰ্তমান চলি থকা নাই। সমান্তৰালভাৱে কলেজ অব এডুকেশ্বন, বকোত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ জৰিয়তে শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী ২০১২ চনৰ পৰা চলি আছে। বৰ্তমানলৈ এই কেন্দ্ৰৰ জৰিয়তে তিনিশ TET উত্তীৰ্ণ শিক্ষকক দুবছৰীয়া পাঠ্যক্ৰমৰ জৰিয়তে প্ৰশিক্ষণ দিয়া হৈছে। আনহাতে Inducation Training ৰ জৰিয়তে ২০০ গৰাকী শিক্ষকক প্ৰশিক্ষণ দিয়া হৈছে। এই কেন্দ্ৰৰ তত্বাৱধায়ক হৈছে ড° গণেশ্বৰ চহৰীয়া আৰু

সমন্বয়ক হৈছে শ্ৰীনীলমণি উপাধ্যায়। শেহতীয়া ভাৱে বকো অঞ্চলৰ বাবে আন এটি উল্লেখযোগ্য কথা হৈছে বকোত চৰকাৰীভাৱে ২০১০-১১ বিত্তীয় বৰ্ষত স্থাপন হোৱা ঔদ্যোগীক শিক্ষা প্ৰতিষ্ঠান (আই. টি. আই), বকো। বকো উন্নয়ন খণ্ডৰ উত্তৰ দিশে গাতে লাগি থকাকৈ নিৰ্মাণ কৰি থকা এই শিক্ষা প্ৰতিষ্ঠানখনৰ জৰিয়তে অচিৰেই অঞ্চলটোৰ শিক্ষাৰ্থীসকলক বৃত্তিমুখী শিক্ষা দিব পাৰিব।

শিক্ষাৰ ক্ষেত্ৰখনক মুল্যবোধৰ শিক্ষা প্ৰদানেৰে এখোজ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অঞ্চলটোৰ বিভিন্ন শিক্ষানুষ্ঠানত থকা আন দুটা কাৰ্যব্যৱস্থাৰ কথা উনুকিওৱা ভাল হ'ব। এই ব্যৱস্থাৰে ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠন কৰাৰ লগতে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বিদ্যালয়, মহাবিদ্যালয়ৰ নাম উজ্বলাবলৈ সক্ষম হৈছে। সেইকেইটা হৈছে এন.চি.চি আৰু ভাৰত স্কাউট গাইড শিক্ষা। সমগ্ৰ দক্ষিণ কামৰূপৰ বিদ্যালয় সমূহৰ ভিতৰত একমাত্ৰ উপৰহালী হাইস্কুল, বকো হাইস্কুল আৰু হেক্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এন. চি. চি. আছে। এই শিক্ষাৰ জৰিয়তে প্ৰতিৰক্ষা তথা সুৰক্ষা বাহিনীত যথেষ্ট সংখ্যক ছাত্ৰ মকৰল হ'ব পাৰিছে। নৈতিক চৰিত্ৰ গঠনত সহায়ক হোৱা আন এক শিক্ষণ কাৰ্যসূচী হৈছে ভাৰত স্কাউট-গাইড। জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত ২০০২ চনৰ আগষ্ট মাহত ৰ'ভাৰ ক্ৰু (বৰ্তমান কাৰ্যক্ষম নহয়) আৰু ২০০৩ চনৰ জানুৱাৰী মাহত ৰেঞ্জাৰ দল, ২০০৩-ৰ আগষ্ট মাহত বকো ছোৱালী হাইস্কুলত গাইডৰ দল খোলা হয়। পৰবৰ্তী সময়ত শিংৰা হাইস্কুলত ২০০৯ চনত স্কাউট আৰু ২০১০ চনত গাইড, বন্দাপাৰা আঞ্চলিক হাইস্কুলত ২০০৯ চনত স্কাউট গাইড, ভালুকঘাটা হাইস্কুলত ২০০৯ চনত স্কাউট, হাহিম হাইস্কুল আৰু গামেৰীমূৰা আঞ্চলিক হাইস্কুলত ২০১৪ চনত স্কাউট গাইড শাখা মুকলি কৰা হয়।

২০১৩ চনত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ উদ্যোগত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধীনত আৰম্ভ হয় ছয় মহীয়া মণ্টেশ্বৰী পদ্ধতিৰ প্ৰশিক্ষণ কাৰ্যক্ৰম। ইয়াৰ সমন্বয়ক হৈছে অধ্যাপক নিৰঞ্জন মহন্ত। মহাবিদ্যালয়খনত এই চনতে উদ্ভিদ বিজ্ঞান বিভাগত আৰম্ভ হয় আন এক চাৰ্টিফিকেট পাঠ্যক্ৰম কাঠফুলা খেতিৰ কৌশল। অধ্যাপক পিনাকী কুমাৰ ৰাভাই সমন্বয়ক হিচাপে এই পাঠ্যক্ৰম চলাই আছে। ২০১০ চনত মহাবিদ্যলয়খনত স্থাপিত হোৱা আন এক উল্লেখযোগ্য গৱেষণাগাৰ হৈছে Biotech-Hub। গৱেষণা আৰু বিজ্ঞান শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত ই এক উল্লেখযোগ্য অৱদান আগবঢ়াইছে। ইয়াৰ সমন্বয়ক হৈছে অধ্যাপক ড° তপন দত্ত।

পৰিবৰ্তিত সময়, পৰিৱেশ আৰু প্ৰয়োজনীয়তালৈ লক্ষ্য কৰিলে দেখা যায় যে অঞ্চলটোত আৰু কিছু শিক্ষানুষ্ঠান বা প্ৰতিষ্ঠান গঢ়িতোলাৰ সম্ভাৱনীয়তা আছে। তাৰ ভিতৰত স্বাৱলম্বী বৃত্তিৰ বাবে আইন মহাবিদ্যালয়, বাণিজ্য মহাবিদ্যালয়, সম্পদৰ পৰ্যাপ্ততা আছে বাবে বি.পি এড্ মহাবিদ্যালয়, নাৰ্চিং কলেজ, সংস্কৃত টোল বা কলেজ, কৃষি কলেজ , Textile designing and weaving Institute, Eco Tourism Institute আৰু Open Schooling centre আদি। অদূৰ ভৱিষ্যতে অঞ্চলটোক আগবঢ়াই নিয়াৰ বাবে এনেবোৰ শিক্ষানুষ্ঠান প্ৰতিষ্ঠাৰ কথা হয়তো আমি নুই কৰিব নোৱাৰিম। সেয়েহে এক পৰিকল্পনাৰ জৰিয়তে এইবোৰ দিশত আগবাঢ়িলে নিশ্চয় অঞ্চলটোৰ বাবে ভাল হ'ব।

# বকো- হাহিম অঞ্চলত নৱপ্ৰস্তৰ যুগৰ আহিলা

বিনয়া দেৱী
সহযোগী অধ্যাপিকা
নৃতত্ব বিভাগ,
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

প্ৰাগৈতিহাসিক যুগৰ সংস্কৃতিৰ পুণৰগঠন, বিকাশ আৰু বিস্তাৰৰ অধ্যয়নত প্ৰস্তৰ যুগীয় আহিলাৰ গুৰুত্ব অসীম। নৃতাত্বিক সকলে প্ৰাগৈতিহাসিক যুগটো প্ৰস্তৰ যুগ আৰু ধাতুযুগ এই দুটা প্ৰধান ভাগত বিভক্ত কৰিছে। প্ৰস্তৰ যুগ বুলিলে শিলৰ আহিলাৰ আধিক্য থকা, লগতে ধাতুৰ আৱিষ্কাৰ নোহোৱা প্ৰাগৈতিহাসিক কালচোৱাক বুজোৱা হয়। আনহাতে ধাতুৰ ব্যৱহাৰ হোৱা প্ৰাগৈতিহাসিক কালচোৱাক ধাতু যুগ বোলা হয়।

প্ৰাগৈতিহাসিক কালত মানুহে জীৱন ধাৰণৰ প্ৰয়োজনত বিভিন্ন সজুলি বা আহিলা তৈয়াৰ কৰিব লগীয়া হৈছিল, অনেক কলা-কৌশলো উদ্ভাবন কৰিছিল। মানৱ ইতিহাসৰ এইচোৱা কালৰ কৃষ্টি - সংস্কৃতি অধ্যয়ন কৰিবলৈ, মানুহৰ ইতিহাস ৰচনা কৰিবলৈ বিজ্ঞানী সকলে ঘাইকৈ এই যুগৰ মানুহে তৈয়াৰ কৰা সা-সজুলিবোৰৰ ওপৰতে নিৰ্ভৰ কৰে। কিন্তু প্ৰাগৈতিহাসিক যুগীয় সজুলিসমূহৰ বেচিভাগেই কালৰ সোঁতত বিলীনহৈ গৈছে। সৌভাগ্যক্ৰমে এইবোৰৰে দুই-এপদ সজুলি, ঘাইকৈ শিলৰ সজুলি পৃথিৱীৰ বিভিন্ন স্থানত, বিভিন্ন অবস্থাত সঞ্চিত হৈ ৰৈ গৈছে। এই সজুলি বোৰ উদ্ধাৰ আৰু অধ্যয়ন কৰি প্ৰত্নতাত্বিক সকলে পৃথিৱীৰ ভিন ভিন অঞ্চলত মানব কৃষ্টিৰ অৱস্থিতি আৰু বিকাশৰ ধাৰা উদ্‌ঘাটন কৰিবলৈ সক্ষম হৈছে। এই সামগ্ৰীবোৰ কেতিয়াবা অনুসন্ধানৰ ফলত আৰু কেতিয়াবা আকস্মিকভাবে উদ্ধাৰ হব পাৰে।

প্ৰাগৈতিহাসিক যুগৰ সামগ্ৰীবোৰৰ অৱস্থিতিৰ ক্ষেত্ৰত কিছু বৈশিষ্ট্য লক্ষ্য কৰা যায়। সাধাৰণতে প্ৰত্নপ্ৰস্তৰ যুগৰ সামগ্ৰীবোৰ ভূত্বকৰ কিছু গভীৰ ভাগত আৰু নৱপ্ৰস্তৰ যুগৰ সামগ্ৰীবোৰ ভূত্বকৰ ওপৰিভাগতে নাইবা সামান্য গভীৰতাতে পোত খাই থাকে। আহিলা সমূহ সাধাৰণতে প্ৰাগৈতিহাসিক লোক বসবাস কৰা গুহা, শৈলআবাস, ধ্বংসস্তুপ বা আহিলা নিৰ্মাণ স্থান আদিত মাটিৰ ওপৰতে বা তলত পোতখাই থাকিব পাৰে। অৱশ্যে কেতিয়াবা প্ৰাকৃতিক ক্ৰিয়া, জীৱ-জন্তু বা মানুহৰ কাৰ্য্যকলাপৰ ফলত এইবোৰ প্ৰকৃত স্থানৰ পৰা আতৰিও যাব পাৰে। যিয়েই নহওক ভূত্বকৰ ওপৰিভাগতে থকা সামগ্ৰীবোৰ সংগ্ৰহ কৰি আৰু ভূত্বকত পোত খাই থকা সামগ্ৰীবোৰ প্ৰণালীবদ্ধভাবে খনন কাৰ্য্য চলাই উদ্ধাৰ কৰিব পাৰি। খনন কাৰ্য্যত আহিলা সমূহ প্ৰকৃতস্থানত প্ৰাপ্ত হলে আৰু এইবোৰৰ লগত জীৱাশ্ম, এঙাৰ আদি উদ্ধাৰ হলে আহিলা সমূহৰ সঠিক বয়স নিৰ্ণয় কৰাটো সম্ভৱ হয়।

প্ৰস্তৰ যুগটো প্ৰত্নপ্ৰস্তৰ, মধ্যপ্ৰস্তৰ আৰু নৱপ্ৰস্তৰ এই তিনিটা প্ৰধান সাংস্কৃতিক যুগত বিভক্ত। প্ৰত্নপ্ৰস্তৰ আৰু মধ্যপ্ৰস্তৰ যুগত মানুহে ঘাইকৈ চিকাৰ কৰি আৰু আহাৰ সংগ্ৰহ কৰি জীৱন নিৰ্বাহ কৰিছিল। আহাৰৰ সন্ধানত এই সকল লোকে সততে ঠাই সলাই ফুৰিছিল। চিকাৰ বা অন্যান্য দৈনন্দিন কামকাজৰ বাবে তেওলোকে ঘাইকৈ শিলৰ আহিলা ব্যৱহাৰ কৰিছিল।

মানৱজাতিৰ ক্ৰমবিকাশৰ দীঘলীয়া পৰিক্ৰমাত নৱপ্ৰস্তৰ যুগে এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি আহিছে। এই যুগৰ প্ৰধান বৈশিষ্ট্য হ'ল উৎপাদনশীল জীৱিকাৰ আৰম্ভনি। মানুহে এই কালত কৃষি আৰু পশুপালনৰ দ্বাৰা আহাৰ উৎপাদন কৰিবলৈ সক্ষম হৈছিল। নৱপ্ৰস্তৰ যুগত মানুহে পূৰ্বৰ যাযাবৰী জীৱন ত্যাগ কৰি লাহে লাহে একোখন ঠাইত স্থায়ীভাৱে বসতি কৰিবলৈ আৰম্ভ কৰিছিল। জীৱন যাপনৰ বাবে প্ৰয়োজনীয় গৃহনিৰ্মাণ কৰিবলৈকো আৰম্ভ কৰিছিল এই কালতে। নবপ্ৰস্তৰ

যুগত মানুহে আহিলা নিৰ্মানৰ ওপৰিও বয়ন শিল্প, মৃৎ শিল্প আৰু বাঁহ-বেতৰ শিল্পও সৃষ্টি কৰিছিল। মানৱ সমাজত ব্যৱসায়ৰ আৰম্ভনিও হয় এই যুগতে। এই কালৰ মানুহে চিকাৰৰ আহিলাৰ ওপৰিও কৃষিৰ বাবে প্ৰয়োজনীয় আহিলা বা সা-সজুলি তৈয়াৰ কৰিছিল। নৱপ্ৰস্তৰ যুগৰ আগলৈকে মানুহে গোটা শিলত বা শিলৰ চকলাত আঘাট কৰি সৰু সৰু শিলৰ চটা এৰুৱাই সজুলি তৈয়াৰ কৰিছিল। আনহাতে এই যুগত মানুহে চকলা এৰুওৱাৰ ওপৰিও ঠুকাঠুকি আৰু ঘৰ্ষণৰ দ্বাৰা যথেষ্ট নিমজ, ধাৰযুক্ত আৰু সুন্দৰ আকৃতিৰ প্ৰস্তৰ আহিলা তৈয়াৰ কৰিবলৈ সক্ষম হৈছিল। প্ৰত্নতাত্বিক সকলে প্ৰস্তৰ আহিলা নিৰ্মাণৰ বাবে ব্যবহাৰ হোৱা ঘৰ্ষণ কৌশলক নৱপ্ৰস্তৰ যুগৰ এক উল্লেখযোগ্য বৈশিষ্ট বুলি পৰিগণিত কৰে। নৱপ্ৰস্তৰ যুগৰ আহিলা সমূহৰ আকৃতি আৰু ব্যৱহাৰিক মুখৰ অৱস্থানৰ ওপৰত নিৰ্ভৰ কৰি প্ৰত্নতাত্বিক সকলে এইবোৰক কোৰ, কুঠাৰ, খন্তি, বাচ্‌লা আৰু কাঁচি আদি বিভিন্ন প্ৰকাৰত বিভক্ত কৰিছে। এই আহিলা সমূহ ঘাইকৈ কৃষিকৰ্মত আৰু ঘৰুৱা কামত ব্যৱহাৰ কৰা হৈছিল বুলি জনা যায়। নৱপ্ৰস্তৰ যুগৰ অস্ত্ৰ সমূহ হ'ল কাড়ৰ আগ, যাঠিৰ আগ, ডেগাৰ আৰু গদা আদি। উল্লেখনীয় যে নৱপ্ৰস্তৰ যুগৰ প্ৰায় আটাইবোৰ আহিলাকে নাল লগাই ব্যবহাৰ কৰা হৈছিল, যাৰ বাবে এইবোৰৰ কাৰ্য্যক্ষমতা বহুগুণে বৃদ্ধি পাইছিল।

বিজ্ঞানী সকলে অধ্যয়ন কৰি জানিব পাৰিছে যে মানব জাতিয়ে নবপ্ৰস্তৰ যুগীয় বৈশিষ্ট্য সমূহ আহৰণ কৰিছিল খ্ৰী. পূ. প্ৰায় ৭০০০ বছৰত। মানৱ সমাজত কৃষিৰ আৰম্ভনি হোৱা স্থানসমূহ হ'ল মধ্য প্ৰাচ্য, মধ্য আমেৰিকা আৰু দক্ষিন-পূৱ এচিয়া। এইকেইটা অঞ্চলৰ পৰাই নবপ্ৰস্তৰীয় বৈশিষ্ট্য সমূহ পৃথিৱীৰ অন্যান্য অঞ্চললৈ বিয়পি পৰিছিল। ভাৰতবৰ্ষৰো কাশ্মীৰ, মধ্যপ্ৰদেশ, চোটনাগপুৰ, উৰিষ্যা, অন্ধ্ৰপ্ৰদেশ, পশ্চিমবঙ্গ, অসম আৰু মেঘালয়ত নৱপ্ৰস্তৰীয় সংস্কৃতি গঢ়ি উঠাৰ প্ৰমাণ পোৱা গৈছে।

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ উত্তৰ কাছাৰ জিলা, গাৰোপাহাৰ, নগা পাহাৰ, কামৰূপ জিলা, গোৱালপাৰা, খাছী পাহাৰ, দৰং আৰু লক্ষীমপুৰ জিলাত নৱপ্ৰস্তৰীয় সাংস্কৃতিক সমল উদ্ধাৰ হৈছে। গাৰো পাহাৰ জিলাৰ নৱপ্ৰস্তৰীয় সমলসমৃদ্ধ দুখন ক্ষেত্ৰ হ'ল ৰংৰাম আৰু ৰংচাঙগিৰি।[১] অসমৰ বিখ্যাত নৱপ্ৰস্তৰ ক্ষেত্ৰখন হৈছে উত্তৰ কাছাৰ জিলাৰ দাওজালি হাডিং। এই অঞ্চলৰ আহিলা সমূহো প্ৰথমে মাটিৰ ওপৰিভাগৰ পৰাই সংগ্ৰহ কৰা হৈছিল। পিছলৈ ১৯৬২-৬৩ চনৰ নৃতত্ববিদ অধ্যাপক মাধব চন্দ্ৰ গোস্বামী আৰু গুৱাহাটি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ৰিডাৰ ডঃ তৰুণ চন্দ্ৰ শৰ্মাৰ দাওজালি হাডিঙত যুটীয়াভাবে খনন কাৰ্য্য চলাইছিল। এই খননত শিলৰ আহিলাৰ ওপৰিও মাটিৰ পাত্ৰৰ ভগ্নাবশেষ, পটা, পটাগুটি আদি উদ্ধাৰ হৈছিল। ডঃ শৰ্মাই চলোৱা গবেষণাত দাওজালি হাডিঙৰ সংস্কৃতিক খ্ৰী. পূ. ২০০০ বছৰ পুৰণি বুলি ঠাৱৰ কৰিছে।[২]

১৯৭৪ চনত ভাৰতৰ বিশিষ্ট প্ৰত্নতত্ববিদ ডঃ সাংকালিয়াই প্ৰকাশ কৰা The Prehistory and Protohistory of India and Pakistan নামে গ্ৰন্থত অসমৰ কামৰূপ জিলাৰ ৰাণী, লোহাৰঘাট, তেতেলীয়া, কামাখ্যা, শৰণীয়া, নুনমাটী আৰু সোনাপুৰ অঞ্চলত নৱপ্ৰস্তৰ যুগীয়া শিলৰ আহিলা উদ্ধাৰ হোৱা বুলি উল্লেখ আছে।

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাগৈতিহাসিক যুগীয় চিত্ৰএখন অধিক স্পষ্ট ৰূপত দাঙি ধৰাৰ কাৰণে প্ৰাগইতিহাস অধ্যয়নকাৰী আৰু অনুসন্ধানকাৰী সকলে অহৰহ পুৰণি যুগৰ সমলৰ সন্ধান চলাই আহিছে। এই লেখকৰো তেনে এক প্ৰচেষ্টাৰ ফলতে সম্প্ৰতি বকো-হাহিম অঞ্চলত কিছু নৱপ্ৰস্তৰীয় শিলৰ আহিলা উদ্ধাৰ হৈছে। আলোকচিত্ৰ সমূহত এই আহিলাসমূহ দেখুওৱা হৈছে। বকোৰ লুকী মৌজাৰ অন্তৰ্গত হাহিমৰ যোগদবা নামৰ গাৱঁতেই উদ্ধাৰ হৈছে এই প্ৰবন্ধৰ বিষয়বস্তু প্ৰস্তৰ আহিলা সমূহ। হাহিম অঞ্চলটো বকো বজাৰৰ পৰা প্ৰায় ১৫ কি. মি. দক্ষিণলৈ কামৰূপ জিলাৰ দক্ষিণ প্ৰান্তত অৱস্থিত। সৰু সৰু পাহাৰ আৰু সমতলেৰে গঠিত এই অঞ্চলেদিয়েই মেঘালয়ৰ পৰা নামি অহা শিংৰা নদী প্ৰবাহিত হৈ আছে দক্ষিণৰ পৰা উত্তৰলৈ। উল্লেখিত যোগদবা গাওঁখন শিংৰা নদীৰ পাৰত অৱস্থিত। সৰু সৰু টিলা আৰু সমতল ঠাইৰে গঠিত গাওঁখনত টিলাৰ নামনি আৰু ওপৰিভাগৰ পৰা উক্ত আহিলা সমূহ সংগ্ৰহ কৰা হৈছে। লেখিকাই নৃতত্বৰ প্ৰতি অনুৰাগী ছাত্ৰ সকলৰ জৰিয়তে চলোৱা অনুসন্ধানৰ ফলতে এই অঞ্চলটোৰ বিষয়ে অৱগত হৈছিল। ১৯৯১ চনৰ পৰা প্ৰায় দহ বছৰত কেইবাবাৰো এই অঞ্চলত অনুসন্ধান চলোৱা হৈছিল। উক্ত আহিলাসমূহ টিলাৰ ওপৰিভাগ আৰু দাঁতি কাষৰীয়া অঞ্চল সমূহৰ পৰা সংগৃহীত। আহিলা সমূহৰ আবয়বিক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি এইবোৰক নবপ্ৰস্তৰ যুগীয় আহিলা বুলি চিনাক্ত কৰা হৈছে। আহিলা সমূহ কোৰ, কুঠাৰ, খন্তি, বাচ্‌লা আদিৰ শ্ৰেণীৰ অন্তৰ্ভূক্ত। আহিলা

সমূহৰ বেচিভাগেই নিমজ আৰু এইবোৰ ঘৰ্ষণ কৌশলেৰে তৈয়াৰী। দুই এটা আহিলাত চলিয়নৰ প্ৰয়োগো লক্ষ্য কৰা যায়। দেখা গৈছে প্ৰত্যেকটো আহিলাৰে ব্যৱহাৰিক মুখখন বহল, পশ্চাদমূৰটো ঠেক আৰু নাল লগাবৰ উপযোগীকৈ তৈয়াৰী। আহিলা সমূহক নাললগাই কৃষিকৰ্মত ব্যৱহাৰ কৰিছিল বুলি সহজেই অনুমান কৰিব পাৰি। আহিলা সমূহ বগা, মটীয়া, গাঢ় ছাই ৰঙৰ, ৰঙচুৰা আদি বেলেগ বেলেগ বৰণৰ। এইবোৰ ড'লেৰাইট, মাটিশিল আৰু শেচল জাতীয় শিলৰ পৰা তৈয়াৰী।

আমাৰ আলোচ্য আহিলা সমূহ যিহেতু মাটিৰ ওপৰিভাগৰ পৰাই সগৃহীত সেয়ে এবিোৰৰ সঠিক বয়স নিৰ্ণয় কৰাটো সম্ভৱ নহয়। ভাৰতবৰ্ষৰ উত্তৰপূব ভাগৰ নৱপ্ৰস্তৰ সংস্কৃতি সমূহ খ্ৰী. পূ. ২৫০০ ৰ পৰা খ্ৰী. পূ. ১৫০০ বছৰ প্ৰাচীন বুলি তেজস্ক্ৰিয় পদ্ধতিৰে পদ্ধতিৰে ঠাৱৰ কৰা হৈছে। অসমৰ বিভিন্ন ঠাইত উদ্ধাৰ হোৱা নৱপ্ৰস্তৰ সংস্কৃতিৰ অৱশেষ বিলাকৰ ক্ষেত্ৰত পণ্ডিত সকলে এই বয়সক মানি লৈছে। সেই অনুসাৰে বকো-হাহিম অঞ্চলৰ পৰা লেখিকাই সংগ্ৰহ কৰা আহিলা সমূহো ওপৰত উল্লেখিত কালৰ বুলি মানি লব পাৰি। নৱপ্ৰস্তৰ যুগৰ সামগ্ৰী সমূহৰ সঠিক কাল নিৰ্ণয়ৰ বাবে সাধাৰণতে নবপ্ৰস্তৰ যুগীয় বসতি স্থানৰ অনুসন্ধান কৰা হয় আৰু এইবোৰত খনন কাৰ্য্য চলোৱা হয়। খনন কাৰ্য্যত শিলৰ আহিলাৰ ওপৰিও মাটিৰ পাত্ৰ, নানা তৰহৰ শিলৰ বা পোৰা মাটিৰ মণি আৰু বোৱা-কটাৰ সজুলি আদি উদ্ধাৰ হোৱাৰ সম্ভাবনা থাকে। ইয়াৰোপৰি খননত এঙাৰ বা অন্যান্য জৈৱপদাৰ্থ আদি উদ্ধাৰ হ'ব পাৰে। বৈজ্ঞানিক গবেষণাগাৰত জৈৱ পদাৰ্থৰ প্ৰকৃত বয়স নিৰ্ণয় কৰি তাৰ লগত একেলগে উদ্ধাৰ হোৱা আহিলা সমূহৰো প্ৰকৃত বয়স পাব পাৰি। সেয়েহে বকো - হাহিম অঞ্চলত উদ্ধাৰ হোৱা শিলৰ আহিলা সমূহৰ সঠিক বয়স নিৰ্ণয়ৰ বাবেও খনন কাৰ্য্য অপৰিহাৰ্য্য।

আমাৰ অলোচ্য আহিলা সমূহে বকো-হাহিম অঞ্চলৰ প্ৰাগৈতিহাসিক বৈভৱক প্ৰতিফলিত কৰিছে। আশা কৰিব পাৰি সঠিক ভাবে অধ্যয়ন চলালে বকো-হাহিম অঞ্চলত বা ইয়াৰ আশে-পাশে মাটিৰ তলত লুকাই থকা বিভিন্ন আহিলা পাতিয়ে আমাৰ নৱপ্ৰস্তৰীয় পূৰ্বপুৰুষ আৰু তেওঁলোকৰ দক্ষতা সম্পৰ্কে অজস্ৰ তথ্যৰ যোগান ধৰিব আৰু বকো-হাহিম অঞ্চলক এক প্ৰাগৈতিহাসিক ক্ষেত্ৰৰূপে প্ৰতিষ্ঠা কৰাত সহায়ক হব। তদুপৰি আশা ৰাখিব পাৰি বকো-হাহিম অঞ্চলত উদ্ধাৰ হোৱা নৱপ্ৰস্তৰ যুগৰ সজুলি সমূহে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ নৃতাত্বিক অধ্যয়নক পূৰ্ণতা লাভৰ ক্ষেত্ৰত কিছু হলেও অৰিহনা যোগাব।

পাদটীকা ঃ

১। Sankalia, H.D., 1974 : The Prehistory and Protohistory of India and Pakistan.

২। Reddy, V.R.,1987 : Neolithic and Post neolithic Cultures, p (22 - 24)

৩। Reddy, V.R., 1987 : Neolithic and Post neolithic Cultures, p -19.

# বকো অঞ্চলৰ গীত-মাত

ধ্ৰুৱজ্যোতি চৌধুৰী

প্ৰাক্তন ছাত্ৰ

সংস্কৃতি এটা জাতিৰ দাপোন স্বৰূপ। জাতি বা জনগোষ্ঠী কিমান চকহী বা উন্নত সেয়া জাতি বা জনগোষ্ঠীটোৰ সংস্কৃতি অধ্যয়নৰ জৰিয়তে নিৰূপণ কৰিব পাৰি। বিভিন্ন জনগোষ্ঠীৰ মিলনত অসমীয়া জাতি আৰু অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। গ্ৰাম্য অঞ্চলৰ দৈনন্দিন জীৱন যাত্ৰাৰ লগত থলুৱা সংস্কৃতিৰ সমল আছে। বৰ্তমান সময়ত আমাৰ চিৰ চিনাকি থলুৱা বা লোক সংস্কৃতিবোৰ কি স্থানত আছে, লগতে আমাৰ মাজত শান্তি সম্প্ৰীতি অটুত ৰখাত কেনেধৰণৰ অৰিহণা যোগাইছে সেইবিষয়ে আলোকপাত কৰাৰ সময় আহি পৰিছে।

বকো বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰিত সুবৃহৎ অঞ্চল। সৌ তাহানিৰে পৰা বকো অঞ্চলত বড়ো-কছাৰী, ৰাভা, কোচ ৰাজবংশী, কলিতা, গাৰো, মুছলমান, নেপালী,বঙালী, মৰোৱাৰী, হাজং আদি জনগোষ্ঠীৰ লোক বসবাস কৰি আহিছে। জনগোষ্ঠী সমূহৰ প্ৰত্যেকৰে নিজ নিজ উৎসৱ পাৰ্বন আৰু ৰীতি-নীতি, গীত-মাত আছে। তথাপিও জাতি, ধৰ্ম নিৰ্বিশেষে উদ্‌যাপিত সাৰ্বজনীন উৎসৱসমূহে আমাৰ মাজত একতা আৰু সংহতিৰ বান্ধোনত অৰিহণা যোগাইছে। ইয়াত বকো অঞ্চলৰ গীত -মাতৰ ওপৰত আলোকপাত কৰিব বিচৰা হৈছে।

বকো অঞ্চলৰ থলুৱা কৃষ্টি আৰু গীত-মাতৰ ভিতৰত বিবিধ তন্ত্ৰ-মন্ত্ৰ বা জৰা-ফুকা, আইনাম, বিয়ানাম, লখিমীৰ গান, বিহুগীত, মহোহোগীত, হাৰালখেদা গীত, মাৰৈ পূজাৰ গীত, ৰাভা গীত, আৰু নৃত্য, বড়ো গীত আৰু নৃত্য, বগেজাৰী গীত ও নৃত্য, বহুৰঙী গীত, পাৰবাঁহ নচুৱা গীত, হানা ঘোঁৰা নাচৰ গীত আৰু নাম প্ৰসংগ আদিলৈ আঙুলিয়াব পাৰি।

অপায় অমঙ্গল বা মাৰি-মৰক আদি দেখা দিলে সহজ সৰল জনজাতীয় লোকসকলে তেওঁলোকৰ উপাস্য শিৱ দেৱতালৈ প্ৰাৰ্থনা জনায়। ইয়াৰ আগতে কলগছৰ ভেল (ভুৰ) সজাই তাত চৰে (কুকুৰা) মদ, হাঁহ, পাৰ, মাহ-প্ৰসাদৰ নৈবেদ্য আগবঢ়াই এনেদৰে গোৱা শুনা যায়-

আ ঐ ই আ<br>
ই বিলৰ মাছ ঐ<br>
সি বিলত যায়।<br>
আহা যাত্ৰা কুঁৰুংতে<br>
বকে ধৰি খায় (হাৰালখেদা গীত)

বসন্ত ওলালে উক্ত ৰোগৰ অধিষ্ঠাত্ৰী বুলি বিশ্বাস কৰি 'সাত গৰাকী আই' বা 'দেৱী'ৰ বাই-ভনীক সন্তুষ্ট কৰাৰ উদ্দেশ্য আগত ৰাখি 'আইনাম' গোৱা হয়। আইনাম গোৱাৰ আগতে গা-পা ধুই বগা কাপোৰ পৰিধান কৰি দুগছি মিঠাতেলৰ বন্তি, তিনিযোৰা ধূপ, নবিধ ফুলেৰে আসন পাতিব লাগ। আসনত নটা পইছা দিয়াৰ নিয়ম । ইয়াৰ পিছতে আইনাম জোৰে -

'আইৰে কৰণি কুনে মুছি দিছে<br>
আপুনাৰ কৰণি আপুনি মুছিছে।।

.......................................

ঠাই খেলি মুচা -কাচা ফুল বা গন্ধ মলমল কৰে<br>
তাতে বহি ডাঙৰ আই নানান চৰণ কৰে।।

কৃষি জীৱীসকলে মা লক্ষীৰ ওচৰত নৈবেদ্য আগবঢ়াই পূজা অৰ্চনা কৰাৰ উপৰিও এভাগ লক্ষীৰ নাম গোৱায়। আয়তী সকলে লক্ষীদেৱীক সুঁৱৰি গায়-

লক্ষী মাই দূৰকে নাযাবা<br>
সোণাৰ বাঁহী গঢ়ে দিম<br>
ধানতে বজাবা।<br>
শালিধানৰ মাজে মাজে সোণা ৰূপাৰ আলি<br>
লক্ষী মাই আইবহো লাগছে হাতী-ঘোঁৰাত উঠি।

উক্ত অনুষ্ঠানসমূহত আয়তীসকলে গোৱা গীতবোৰত নাৰী সুলভ কমনীয়তা আৰু সৰল বিশ্বাসৰ পৰিচয় পোৱা যায়।

অসমীয়া মানুহৰ বিবাহ এটি সামাজিক উৎসৱ। বিবাহ উৎসৱত বিয়ানাম এক সুকীয়া আসন দাবী কৰি আহিছে। বিয়াৰ বিভিন্ন ক্ৰমত আয়তীসকলে বিধে বিধে বিভিন্ন সুৰত বিয়ানাম গায়। বিয়ানামত ৰাম-সীতা, কৃষ্ণ-ৰুক্মিণী, মহাদেৱ, পাৰ্বতী আদি দেৱ-দেৱীৰ চৰিত্ৰসমূহৰ সতে বিবাহৰ বিৱৰণ দিয়া হয়। এই গীত সমূহ আৰু ৰুচি পূৰ্ণ। আন এক শ্ৰেণীৰ হাস্য কৌতুক সম্বলিত বিয়ানাম আছে; এই বোৰক খিচাগীত বুলি কোৱা

হয়।

উপাৰে ফুলৰ চৈ বইহিছে চৰিয়া লই
গোহাই পূজিবাৰ মনেহে।।
কালি মাতি আইহিছু বামুণ পুৰোহিত
আইহিছে গধূলি বেলা ঐ ৰাম ৰাম

দৰা আদৰি আনি ৰভাতলত বহাৰ সময়ত, কইনা সজোৱা, পাশাখেল ইত্যাদি বিভিন্ন সময়ত বিয়ানাম গোৱা হয়।

ৰাম চন্দ্র সৰু বুলি জগাতে হাঁহিল
বাঁওহাতে ধেনুধৰি, সোঁহাতে ভাঙিল।।
শংখ বাজে, ঘন্টা বাজে আৰু বাজে বেণু
আকাশে দন্দুভি বাজে ৰামে ভাঙে ধেনু।

বিহুক কেন্দ্ৰ কৰি বিশেষকৈ ৰভালী বিহুত পৰিবেশন কৰা হুচৰি, বিহুগীত আৰু বিহুনাচসমূহে অসমীয়া সংস্কৃতিত এক অভিনৱ অৱদান আগবঢ়াইছে। হুচৰি, বিহুগীত আৰু বিহুনাচৰ লগত অসমীয়া জনজীৱনৰ সাজ-পাৰ, আ-অলংকাৰ, প্ৰসাধন সামগ্ৰী আৰু বদ্যযন্ত্ৰসমূহেও স্বকীয়তা ৰক্ষা কৰিব পাৰটো গৌৰৱৰ বিষয়। বয়োজ্যেষ্ঠলোক দুই-এজনৰ পৰা শুনামতে এই অঞ্চলত হুচৰি, বিহুগীত আৰু বিহু নাচৰ প্ৰচলন পূৰ্বতে নাছিল বুলিবই পাৰি। তথাপি বাঁহৰ ঠৰকা (টোকা) লৈ দহ-বাৰজনমান ল'ৰাই সিহঁতৰ এজনক নটুৱা সজাই হাত চাপৰি বজায় আৰু ঠৰকা সংগত কৰি নাচি নাচি এইদৰে গায়-

জয় জয় বইহাগৰ বেহু জয়
হুৰই আ-হু-ৰই আ
ইয়ো বুলে কি কি সিয়ো বুলে কি
চালৰ পৰা নিংনি পৰিল
কটি(টিকা) উল্টাই বা পিন্ধা দি ইত্যাদি।

সময় বাগৰি অহাৰ লগে লগে বৰ্তমানৰ ৰূপলোৱা হুচৰি, বিহুগীত আৰু বিহুনাচৰ প্ৰচলনৰ দেখা যায়।

প্ৰচলিত প্ৰবাদ মতে হানাঘোঁৰাইঁত তিনি বাই ভনী আছিল। প্ৰথমজনী কছাৰীমাদল, মাজুজনী হানাঘোঁৰা আৰু সৰুজনী পাওঁৰা বা পাৰবাঁহ। হানাঘোঁৰা বোৱা কটাত বৰ অকাজী আছিল। সেয়ে পিন্ধন-উৰণত জাক জমকতা নাই। ক'লা কাপোৰ এখনৰ মাজত বগা ঘূৰণীয়া কাপোৰ সেয়েই হানাঘোঁৰাৰ পোছাক।

মহাদেৱে যজ্ঞ ধ্বংস কৰিবলৈ আহোঁতে দাইনী-যখিনী আদি লগত আনিছিল। এই সকলোবোৰ যজ্ঞ ধ্বংস কৰিবলৈ যোৱা দেখি কালীদেৱীও কৈলাশত নাথাকি নিজৰ ঘোঁৰাত উঠি যজ্ঞভূমিত উপস্থিত হ'ল। মাদকদ্ৰব্যৰ জালত মাতাল হৈ পৰাৰ পিছত হানাভাই (গাৰো) সকলে ৰং ধেমালি কৰিছিল। কিদৰে নাচিব লাগে, কেনেকৈ ঘোঁৰা নচুৱাব লাগে মহাদেৱে নিজেই শিকাই দিছিল।

'টাহুলিত টাহুলিত কৰে
মাহী ঐ হানাঘোঁৰা শিঙা
ভাল কৰি নানাচিলে
মাহী ঐ কায় দিব ডিমা।"

শিঙা, বাঁহী, মাদল, দগৰ আৰু অন্যান্য বাদ্য গীতৰ লগত তাল মিলাই বজোৱা হৈছিল। সময়ত সকলোবোৰ স্বস্থানে প্ৰস্থান কৰিলে। কিন্তু থাকি গ'ল তেওঁৰেই হানা শিষ্যসকলৰ মদ, ভাত, ভাং খাই নচা, গীত গোৱা এই সংস্কৃতিটো। ঘোঁৰাৰ লগত দুফালে দুজনে ঢাল তৰোৱাল লৈ নাচে। পুৰুষাণুক্ৰমে এই নাচ চলি আহি ৰাভা-কছাৰী-সকলৰ মাজতো প্ৰচলন হ'ল। এই ঘোঁৰা নচুওৱাৰ আগে আগে এহাল কুকুৰা, মদ, মিঠাতেল, পিঠাগুৰি, সেন্দুৰ, কণী আদিৰে পূজা কৰা হয়। বৰ্তমান ৰাভাসকলে হানাঘোঁৰা নচুওৱাৰ সময়তে এইদৰে গায় -

'হয় হয় হয় ঐ ঐ
ছায়ৰাত ছায়ৰাত ছায়ৰাতিয়া
কুমলা মদখান খায় কুতিয়া
আৰে মাহী ঘৰত যাং
মাহী আই বেলায় বহিল চাকত
হুৰ হুৰীয়া মেল কৰে
মাহী অই নিজৰাৰে ঘাটত।।'

হানা ঘোঁৰাৰ ভনীয়েক হ'ল পাৰবাঁহ এইজনী বৰ পাকৈত শিপিনী আছিল। পাৰবাঁহ ৰঙা-বগা-ৰঙৰ কাপোৰ ফুল বছাৰ দৰে ইটোৰ পিছত সিটো ৰজিতা খুৱাই পিন্ধে। বহ'াগ বিহুৰ আগে আগে পাৰবাঁহ সজোৱাৰ প্ৰস্তুতি চলে। প্ৰথম ব'হাগৰ দিনা দেউৰীৰ ঘৰৰ চোতালত মাহ-প্ৰসাদ, গাখীৰ, পাৰচৰাই এযোৰ মিঠাতেল, সেন্দুৰ মদ আদিৰে 'পাৰবাঁহ' পূজা কৰা হয়। বাঁহডাল থিয় কৰাই পাৰবাঁহ ঘূৰোৱা মানুহজনে নিজৰ গাৰ চাৰিওফালে হাতেৰে ঘূৰায়। পাতি-ঢোলৰ ছেৱে ছেৱে আন বিলকে পাৰবাঁহ নচুওৱাৰ গান এইদৰে গায়-

"লাই লাই লাকো লাই অ'
লাকো হৰি লাই
বকোৰ পাওৰা উৰাই চাওৰা ঐ

উৰাই চাওৰা (ওখ)।।”

সাত বিহু বা সুৱৰি উৎসৱত পাৰবাঁহ ঘূৰোৱাৰ পিছত পুনঃ পূজা অৰ্চনা কৰি পাৰবাঁহ পুতি থোৱা হয়।

বড়ো কছাৰী, ৰাভাসকলেও বিহুৰ বতৰত আৰু তেওঁলোকৰ অন্যান্য উৎসৱত আনন্দত মতলীয়া হৈ পৰে। তেওঁলোকৰ নিজস্ব বাদ্য খাম, চিফুং, থৰকা, চেৰেণ্ডা, মাদল আদি বজাই বিভিন্ন গীতৰ লহৰ তুলি নৃত্য কৰে। ৰাভাসকলে ৰাভাগীত আৰু বগেজাৰী, বহুৰঙী গীত -মাতৃ, নৃত্য আদি পৰিৱেশন কৰি আনন্দ কৰে। বড়ো, ৰাভা আৰু বহুৰঙী কৃষ্টিৰ কেইফাঁকিমান গীত তলত উল্লেখ কৰা হ'ল -

'বৈছা গুনিবাৰ আ
জোংনি ৰংজা নায়া
দাও খলো গাবনায়
গৌদে গোজন ৰাওৰা
বিৰাব গুদান বাৰনায়া।”
(বড়ো কৃষ্টিৰ গীত)

অ আয়া বাব চিমে
খাপেতা খাপেতা নাঙো চ্যুন কিয়া
ম্যুন থিমা জাংচাৰে নাঙো নুকচা বালা
হোক চাৰি হোক
(ৰাভ কৃষ্টিৰ গীত)

বহুৰাঙী খপৰাঙী
একে ঘৰতে।
দুৱাৰ জপাই মদ খায়
মোৰে দৰতে।।

কলীয়া কুকুৰ পানী খায়
লিটু (নেজ) দাঙি দাঙি
খপাৰাঙী পলায় গেল
দান দিলিকা ভাঙি। (বঙীৰঙী গীত)

মাৰে পূজাৰ লগত মাৰে গীত আৰু দেওধনি নৃত্য ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছে। মাৰে গীতসমূহৰ বিষয়বস্তু মনসা দেৱীৰ আখ্যান, চান্দ সদাগৰ আৰু বেউলা লক্ষীন্দাৰৰ কাহিনী সংযোজিত হৈ আছে।

আঘোণ মাহৰ পূৰ্ণিমা তিথিত মহখেদা বা মহোহো উৎসৱ পালন কৰা হয়। মহোহো খেদা দলটোৰ এজনক শুকান কলপাতেৰে ভালুক সজাই বাকীবোৰে লাঠি টোকন লৈ মহহো গীত গায়-

অৰি মহহো
মহ খেদিবা যাবৰি
টেপল পুৱা খাবৰি

টেপল ৰায় দন।
খছকে ওলাল ধান দুন
চলৰে ৰঙা মাটি
ধান ওলাল বেৰা ফাটি।”

গাৰোসকল পাহাৰ আৰু ভৈয়ামৰ দুয়োবিধ খেতি কৰি এই অঞ্চলত বসবাস কৰি আহিছে। তেওঁলোকে বৰদিন, গুডফ্ৰাইডে, ইষ্টাৰ পৰ্ব আৰু ওৱানগালা উৎসৱ উদ্‌যাপন কৰে। উৎসৱসমূহত নিজস্ব বাদ্য যন্ত্ৰৰে গীত-নৃত্য প্ৰদৰ্শন কৰি আনন্দ উপভোগ কৰে। এই অঞ্চলত বসতি কৰি থকা মুছলমানসকলে ইছলাম ধৰ্ম চৰ্চা কৰি আহিছে। তেওঁলোকে 'জিকিৰ' আৰু 'জাৰী' গীত গায়। হাজংসকলে 'পাওনী' পূজা পাতে।

ওপৰত উনকিয়াই অহা কৃষ্টিসমূহৰ উপৰিও সত্ৰ, নামঘৰ, মন্দিৰ আদিত নিত্য নৈমিত্তিক নাম-প্ৰসংগ, পূজা পাতলৰ উপৰিও বিভিন্ন তিথি পৰ্বত সমূহীয়া ভাৱে ধৰ্ম চৰ্চা কৰা হয়। কলা-কৃষ্টি চৰ্চাৰ জৰিয়তে আমাৰ মাজত একতা, সংহতি আৰু মিলনৰ বান্ধোন সুদৃঢ় কৰাৰ লগতে অসমীয়া সংস্কৃতিলৈ প্ৰভুত পৰিমাণে বৰঙণি আগবঢ়াইছে।

কালৰ গতিত তথ্য বিহীন বহুতো থলুৱা ক'লা কৃষ্টি লয় প্ৰাপ্ত হ'ল। বৰ্তমানলৈ চলি থকা ক'লা-কৃষ্টিসমূহ শিল্পী, কলা-কুশলীসকলে যথাযথভাৱে চৰ্চা কৰিলে অসমীয়া সংস্কৃতিৰ শ্ৰীবৃদ্ধি সাধন হ'ব।

# বকো অঞ্চলৰ যাত্ৰাভিনয় আৰু ইয়াৰ ৰূপৰেখা

যতীন পাঠক
প্ৰাক্তন ছাত্ৰ

পৃথিবীৰ প্ৰত্যেক জাতিৰে নিজস্ব সংস্কৃতি আছে। জাতিৰ সংস্কৃতি অবিহনে এটা জাতিৰ অস্তিত্ব নাই। প্ৰত্যেটো জাতিৰ সংস্কৃতি অনুধাৱন কৰিলে সেই জাতিটোৰ সভ্যতাৰ মানদণ্ড জনা যায়। অসমীয়া জাতিৰো নিজা সংস্কৃতি আছে আৰু এই বিজ্ঞান ভিত্তিক সংস্কৃতি দি থৈ গৈছে পৰম গুৰু শ্ৰীমন্ত শঙ্কৰ গুৰু জনাই। নিজে ভাওনা গীত মাত নৃত্য আদি সৃষ্টি কৰি জাতিটোৰ সভ্যতা জগতত বিলাই থৈ গ'ল। শ্ৰীমন্ত শঙ্কৰ গুৰু জনাই প্ৰথম পঞ্চদশ শতিকাৰ শেষৰ ফালে চিহ্ন যাত্ৰা নাটকেৰে অসমীয়া নাটকৰ পাতনি মেলে।

তাৰেই ফল স্বৰূপে উজনী অসমত সৃষ্টি হ'ল শঙ্কৰী ভাওনা আৰু নামনি আসনত সৃষ্টি হ'ল সত্ৰ সংস্কৃতিৰ লগতে যাত্ৰা পাৰ্টী। বৃটিছসকলে অসম দখল কৰাৰ পাছত অসমীয়া ভাষাত নাটক সৃষ্টি হোৱা নাছিল। পশ্চিম বঙ্গত তেতিয়াৰ ৰচনা আৰু অভিনীত হৈছিল বঙালী নাট। প্ৰখ্যাত নাট্যকাৰ ব্ৰজেন দে, কানাই শীল, নন্দগোপাল ৰায়চৌধুৰী আছিল এই বহুজন সমাদৃত নাটকসমূহৰ ৰচয়িতা। পশ্চিম বঙ্গৰ পৰা প্ৰথম অৱস্থাত গোৱালপাৰাত বঙালী নাটক অভিনিত হ'বলৈ ধৰে। কিন্তু সংগঠন ধৰ্মীয় আৰু পৰিচালনাৰ অ-দুৰদৰ্শীতাৰ বাবে গোৱালপাৰাত ই কৃতকাৰ্য হ'ব নোৱাৰিলে। কালক্ৰমত গোৱালপাৰাৰ ভৌগোলিক সীমৰেখা চেৰাই সংস্কৃতিৰ ভৰপুৰ কামৰূপ জিলালৈ সম্প্ৰসাৰিত হয়। সেই সময়ৰ কামৰূপৰ সাধাৰণ শ্ৰেণীৰ সংস্কৃতিবান নাট্য প্ৰেমী, কলানুৰাগীলোকৰ সংখ্যাধিক্য আৰু সৰ্বসাধাৰণৰ গতিময় প্ৰাৱন্ত চাৰিত্ৰিক বৈশিষ্ট্যৰ ফলত বঙ্গীয় পালাগান থলুৱা ৰস সমৃদ্ধ হৈ এওলোকৰ মাজতে যাত্ৰালৈ ৰূপান্তৰিত হ'ল। সত্ৰসমূহৰ প্ৰভাৱ সত্বেও কামৰূপত যাত্ৰাই খোপনি পুতি লৈ অঙ্কীয়া ভাওনাৰ প্ৰভাৱৰ পৰা জনসাধাৰণক আঁতৰাই নিবলৈ সক্ষম হ'ল।

প্ৰথম অৱস্থাত সংস্কৃতিবান প্ৰতিপত্তিশীল ব্যক্তিয়ে যাত্ৰা দল গঠন কৰি মেনেজাৰ উপাধি লৈ নাটক মঞ্চস্থ কৰিছিল। কেতিয়াবা দুই-চাৰিজন ব্যক্তি লগ হৈ অথবা গাঁওখনৰ সকলো ব্যক্তি একত্ৰিত হৈ যাত্ৰা পাৰ্টী কৰিছিল।

প্ৰথম অৱস্থাত বকো অঞ্চলত বঙালী নাটক মঞ্চস্থ হৈছিল। পিছলৈ এই বঙালী নাটকৰ অসমীয়ালৈ অনুবাদ কৰা নাটক অনুষ্ঠিত হ'বলৈ ধৰিলে। এই নাটকবোৰ অনুবাদ কৰি মঞ্চস্থ কৰাৰ উপযোগী কৰি তুলিছিল প্ৰথম ৰামপুৰৰ প্ৰয়াত প্ৰমোদ মজুমদাৰ, ৰাজেন দাসৰ লগতে কেইবাজনে। পিছলৈ অতুল চন্দ্ৰ হাজৰিকা আৰু অসমীয়া নাটকৰ বাটকটীয়া ব্ৰজ শৰ্মাদেৱৰ অৰিহণা উল্লেখনীয়।

যাত্ৰাদল গঠনৰ পিছত নাটক নিৰ্বাচন কৰি ওস্তাদ ঠিক কৰে লগতে অভিনেতা ঠিক কৰি (তেতিয়া সহ অভিনয় নাছিল), আখৰা আৰম্ভ কৰে। চোকৰা নৃত্য কৰা শিল্পীদলবিলাকক ঠিক আখৰা দিয়াবলৈ এজন নাচৰ শিক্ষক লোৱা হয়। মূল নাটকৰ ওস্তাদ হিচাপে বকো অঞ্চলত ৰামপুৰ নিবাসী প্ৰয়াত সূৰ্য ঠাকুৰ, ৰাজেন দাস বিশেষভাৱে উল্লখযোগ্য। মোৰ যাত্ৰাভিনয়ৰ গুৰু আছিল সূৰ্য ঠাকুৰ। আখৰা (তালিম) শেষ হ'লে গাঁৱৰ বিশেষ ৰাজহুৱা অনুষ্ঠানত নিমন্ত্ৰিত হয়। মুকলি ঠাইত ৰভা দি ৰভাৰ মাজত মাটিৰ ওখ টিপ বনাই চাৰিওফালে ধান খেৰ সিঁচৰতি কৰি দৰ্শক বহাৰ উপযোগী কৰি লয়। মঞ্চলৈ অভিনেতা আহিবলৈ প্ৰৱেশ প্ৰস্থানৰ বাবে দুটা বাট ৰখা হয়। নাটক আৰম্ভ হোৱাৰ আগমুহূৰ্তত মঞ্চত ত্ৰিপাল পৰা হয়। মঞ্চৰ ওপৰতে কাষৰ ফালে কণচাৰ্ট পাৰ্টি (মিউজিক) আৰু স্মাৰক বহি লয়। নাট্য দলৰ এজন কৰ্মীয়ে নাটকৰ প্ৰগ্ৰাম দৰ্শকক বিতৰণ কৰে। প্ৰগ্ৰাম নোপোৱা দৰ্শকে কেতিয়াবা প্ৰগ্ৰাম

বিলোৰা ব্যক্তিজনৰ পৰা তেতিয়া দুই অনা দি হ'লেও প্ৰগ্ৰাম সংগ্ৰহ কৰে। মঞ্চৰ ওপৰত আঁৰি দিয়া পাম্প দিয়া হেছাক লাইট লাইট-মেনজনে পৰীক্ষা কৰে। এটা কণচাৰ্টৰে নাটকৰ শুভ আৰম্ভ কৰি চোকৰা (Dancer) নচুওৱা হয়। ইয়াৰ পিছত মূল নাটক আৰম্ভ হয়। যিয়ে ভাল অভিনয় কৰে, তেওঁক মঞ্চলৈ লৈ গৈ পুৰস্কাৰ দিয়া জনে নিজৰ পৰিচয় দি অভিনেতাজনক পুৰস্কাৰ দিয়ে। আমি 'বঙ্গ বিপ্লৱ' নাটকত কুটুবুদ্দিনৰ সভাত পঞ্চাশটালৈ পুৰস্কাৰ পাইছিলোঁ। মূল নাটক সূৰ্য উদয় হোৱাৰ আগতে যদি অস্ত পৰে, তেন্তে চোকৰা নচুৱাই হ'লেও ৰাতিপুৱাব লাগিব। প্ৰতিখন নাটকত এজনকৈ বিবেক থাকে। বিবেকে ন্যায়ৰ প্ৰতীক, অন্যায়কাৰীক গানেৰে সতৰ্ক কৰি দিয়ে। বিবেকজনা অবধ্য।

দক্ষিণ কামৰূপৰ লগতে বকো অঞ্চলত এনে এখন ঠাই নাছিল, য'ত যাত্ৰাদল নাছিল। যাত্ৰাদল নোহোৱা ঠাইখন যেন সংহতি বিহীন ঠাই।

যাত্ৰাদল গঠন কৰি মেনেজাৰ উপাধি লোৱা ব্যক্তি হ'ল হেকেৰাৰ কমলা মৌজাদাৰ (মেনেজাৰ )। তেখেতে নিজৰ ঘৰতে মঞ্চ সাজি নাটক মঞ্চস্থ কৰি উপভোগ কৰিছিল। তেখেতৰ সমূহ পৰিয়ালটিক মেনেজাৰৰ পৰিয়াল বুলিহে অঞ্চলৰ ৰাইজে জানে। যাত্ৰাদল গঠন কৰি নাট মঞ্চস্থ কৰাৰ আগৰণুৱা আছিল সত্ৰ সংস্কৃতিৰে সমৃদ্ধ ভালুকঘাটা সত্ৰ। সত্ৰৰ প্ৰত্যেকগৰাকী ব্যক্তিয়ে নাট্যনুৰাগী। প্ৰথম অৱস্থাত ইয়াত বঙালী নাটক মঞ্চস্থ হৈছিল লগতে পুৰুষে মহিলাৰ ভাও ৰূপায়ণ কৰিছিল। পৰৱৰ্তী সময়ত অসমীয়ালৈ অনুবাদ কৰা নাটক মঞ্চস্থ হৈছিল। প্ৰয়াত প্ৰাণেশ্বৰ মেনেজাৰ সোতৰ বছৰ ধৰি মেনেজাৰ আছিল। পৰৱৰ্তী সময়ত পৰিয়ালটোত এই ধাৰা বৰ্তাই ৰাখিব নোৱাৰিলে সময়ৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত। ১৯৩৫চনত আৰম্ভ হোৱা যাত্ৰাদলত অভিনিত নাটক সমূহ আছিল গন্ধেশ্বৰী, পাষণ্ড দলন, জয়মতী, হৰিচন্দ্ৰ, নৰ সৰ্গ, জয় চন্দ্ৰ বধ, বিপ্লৱী বীৰ আদি। অভিনয় কৰিছিল প্ৰয়াত উদয় অধিকাৰী, নবীন কলিতা (ৰত্নে ডাক্তৰ) বিষ্ণু কলিতা, ধনে ছেত্ৰী, ধনেশ্বৰ দাস, চন্দ্ৰ (নাৰী চৰিত্ৰ), যাদৱ বড়া, মহেশ্বৰ দাস, পৰমা মহন্ত, দেবেন বড়া, মহেন্দ্ৰ কলিতা, নাৰদ দাস, হৰেণ কৈৱৰ্ত্ত, নাৰদ দাস, চণ্ডী কৈৱৰ্ত্ত, সুৰেন শ্ৰীকান্ত মজুমদাৰ, ভূপেন দাস, কালিচৰণ দাস, আমাৰ পিতৃ ধৰ্মেশ্বৰ পাঠক ইত্যাদি। প্ৰয়াত কামেশ্বৰ চৌধুৰী নৃত্যৰ প্ৰশিক্ষক আছিল। ১৯৬৭-৬৮ চনত ভালুকঘাটত নটবন্তী নাট্য সমাজ নামেৰে সমবায় ভিত্তিত সহ অভিনয় হয়। সহযোগী সদস্য সকল আছিল শ্ৰীবিপিন পাঠক, প্ৰয়াত অচ্যুত কলিতা মৌজাদাৰ, সদানন্দ মহন্ত, খগেন পাঠক আদি। নটবন্তী নাট্য সমাজে এটা সময়ত পেণ্ডেল, লাইট, মাইক আদি লৈ অসমৰ বহু ঠাইত নাট মঞ্চস্থ কৰিছিল। নাটকসমূহ আছিল স্বৰ্ণহাৰ, লোব দুৱাৰ, বভ্ৰুবাহন ইত্যাদি। অভিনেতাসকল আছিল সুশীল খাটনিয়াৰ, ক্ষেত্ৰমোহন দাস, সোণেশ্বৰ কলিতা, আৰতি দাস, পিছত প্ৰতিষ্ঠিত নৃত্য শিল্পী হিচাপে খ্যাত হৈছিল। বিমলা দাস, কানন কুমাৰী, মালতি বড়ো, বহুৰা খাতুন, অকণ দাস, বাদ্যবাদক পীতাম্বৰ ৰাভা, ৰাম দাস, দেৱী ৰাম মহন্ত, ৰাজেন কলিতা (ত্ৰিলোচন) ইত্যাদি। পৰৱৰ্ত্তী সময়ত ১৯৭০ চনৰ পৰা মই যাত্ৰা পাৰ্টীৰ অভিনয় বাদ দিও। কিন্তু বকোত যুৱক সংঘৰ হৈ বছৰত প্ৰায় দুখনকৈ নাট মঞ্চস্থ কৰি আছো। নবৈৰ দশকত ভালুকঘাটাত পুনৰ যাত্ৰাদল গঠন হয়। প্ৰযোজক অনঙ্গ মজুমদাৰ, শ্ৰীপ্ৰতুল পাঠক, লোহিত কলিতা, জুৰি পাঠক, কালিকান্ত পাঠক আদিৰ প্ৰচেষ্টাত অভিনীত নাটকসমূহ আছিল জয়তমী, অগ্ৰগ্ৰামী দেউতা, এমুঠি পোহৰ, বীৰ শ্বহীদ, স্বৰ্ণহাৰ, গঙ্গা পুত্ৰ ভীষ্ম আদি।

ভালুকঘাটাৰ হৰিচন্দ্ৰ নাটকত প্ৰয়াত সুৰেন বড়ো আৰু বেলিৰাম বড়োই ক্ৰমে ৰজা হৰিচন্দ্ৰ আৰু বিশ্বামিত্ৰৰ ভাওত আছিল অসমৰ অদ্বিতীয়যুৰী।

ভোগদাবাৰীত যাত্ৰাদল গঠন কৰি শক্তিশালী নাট্যদল গঠন কৰিছিল। এটা ঘটনা মোৰ মানসপটতত এতিয়াও আছে। ভালুকঘাটাৰ পৰা ভোগদাবাৰীত হৰিচন্দ্ৰ নাটকখন দিয়া বুলি আমাৰ ভাতৃ বিপিন পাঠকক দোষী সাব্যস্ত কৰি আমাৰ পৰিয়ালটিক সামাজিক ভাবে বৰ্জন কৰিছিল। সেইটো পিছত প্ৰমাণ নোহোৱাত বৰ্জন কৰে।

খলিহাৰ প্ৰতিভা সম্পন্ন অভিনেতা প্ৰযোজক ব্ৰজেন দাস ডাঙৰীয়াই যাত্ৰা পাৰ্টীৰ এটা গতি দিছিল শঙ্কৰ-মাধৱ নাট্য পৰিষদ নামেৰে। শিংৰাৰ নাট্য প্ৰেমী ব্যক্তি শ্ৰদ্ধেয় ক্ষীৰোদ চন্দ্ৰ নাথে এটা সময়ত মৰ্যাদা সম্পন্ন যাত্ৰাদল গঠন কৰি সেই অঞ্চলৰ উৎসাহী অভিনেতা-অভিনেত্ৰীক উলিয়াই আনিছিল। দক্ষ পৰিচালক শিক্ষক শ্ৰীঅনিল দাসৰ পৰিচালনাত দক্ষিণ কামৰূপৰ ভিতৰত শ্ৰেষ্ঠ যাত্ৰাদল হিচাপে পৰিগণিত হৈছিল। দীনেশ কলিতা সেই সময়ৰ ভাল অভিনেতা আছিল। হেমেন দাস, দ্বীজেন দাস, পৰমা কলিতা, জীৱেশ্বৰ চৌধুৰী, বিনয় নাটোৱাৰী, অতুল দাস, অনিল দাস, ৰূপেশ্বৰ পাটোৱাৰী আদি তেতিয়া আছিল বলিষ্ঠ অভিনেতা।

বকোত কেইজনমান উৎসাহী ব্যক্তিৰ প্ৰচেষ্টাত গঢ় লৈ উঠিছিল উচ্চমান সম্পন্ন যাত্ৰা দল।

তেওলোক হ'ল প্ৰয়াত খগেন গাঁওবুঢ়া, মোহন সাহা, পহৰু বড়ো, অভিনেতা মোহন কলিতা, মহেশ্বৰ ৰাভা, মিলন নাগ, ভূবনেশ্বৰ চৌধুৰী, নিৰণ ৰাভা (গাঁ ওবুঢ়া) ইত্যাদি । এওঁলোকে বিভিন্ন ঠাইত যাত্ৰা প্ৰদৰ্শন কৰি বকো অঞ্চললৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। বকো অঞ্চলত বহুতো প্ৰতিভা সম্পন্ন শিল্পীৰ এওঁলোকে জন্ম দিয়ে। খামাৰৰ অকণ দাস, লীলা কলিতা বড়ো এটা সময়ত দক্ষ অভিনেত্ৰী আছিল। দিলিঙ্গা গাঁও এখন সংস্কৃতিবান ঠাই। ১৯৭৫-৭৬ চনৰ আগতেও যাত্ৰাপাৰ্টী হৈছিল যদিও পূৰ্ণাঙ্গ ভাৱে ১৯৭৫-৭৬ চনৰ পৰা যাত্ৰাপাৰ্টী কৰি আহিছিল। শান্তিৰ সন্ধান, জেৰেঙাৰ সতী ইত্যাদি নাটকেৰে অঞ্চলৰ বিভিন্ন ঠাইত নাটক অনুষ্ঠিত কৰি প্ৰশংসিত হৈছিল কনক দাসক মেনেজাৰ হিচাপে লৈ গোটেই অঞ্চলৰ ৰাইজে সহযোগ আগবঢ়াইছিল। বেনপাৰ্টীৰ পকেট বজাইছিল শ্ৰীথানেশ্বৰ ৰয়ে। অভিনয় কৰিছিল পুলিন কলিতা (মহিলাৰ ভাও), হৰমোহন ঠাকুৰীয়া, ললিত ঠাকুৰীয়া, শিশু শিল্পী অমিয় ৰয় (বৰ্তমান কৃতী শিক্ষক, গায়ক আৰু অভিনেতা। বকো অঞ্চলৰ প্ৰতিষ্ঠিত ব্যৱসায়ী বন্দাপাৰাৰ প্ৰয়াত ললিত মেছ ডাঙৰীয়াই যাত্ৰাপাৰ্টী কৰি অসমৰ বিভিন্ন ঠাইত অভিনয় কৰি সুনাম আৰ্জিছিল। কালৰ সোঁতত হেৰাই যোৱা ললিত দাক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

বৰ্তমান অভিনেতা পূৰ্ণ ৰয়ৰ কন্যা বিউটি ৰয় এই অঞ্চলৰ এজনী লেখত লবলগীয়া অভিনেত্ৰী। বকোৰ শ্ৰীজয়ন্ত দাস এজন দক্ষ অভিনেতা।

ভালুকঘাটাৰ প্ৰয়াত যোগেন মহন্ত আৰু আমতলাৰ নগেন কাকতি আছিল অসমৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ অভিনেতা।

সামগ্ৰিকভাৱে তেতিয়া দুখ লগা আছিল অভিনেতা অভিনেত্ৰীৰ আৰ্থিক অৱস্থা। যিসকলে অভিনয়কে জীৱিকাৰ পথ হিচাপে বাছি লৈছিল, তেওঁলোকৰ নাজল-নাস্থল অৱস্থা আছিল। আমি নিজে ১৯৬৮ চনৰ পৰা যাত্ৰাদলত আৰু বিভিন্ন নাটকত আৰু কেছেটত অভিনয় কৰি জীৱনত এটকাও মাননী লোৱা নাই। গতিকে বৰ্তমানক বাদ দি অতীতত অভিনয় শিল্পৰ লগত জড়িত হৈ অভিনেতা-অভিনেত্ৰীৰ কেনে দশা হ'ব পাৰে? তথাপিও প্ৰকৃত শিল্পীয়ে অভাৱগ্ৰস্থতা পিছত ৰাখি অভিনয় শিল্পক প্ৰধান্য দি আহিছিল। শিল্পীৰ অন্তৰ সদায় বোৱতী নদী আৰু বাঁহীৰ দৰে। জাতিৰ সংস্কৃতি নাথাকিলে সেই জাতি ধ্বংস হ'ব। প্ৰকৃত শিল্পীয়ে বাস্তৱকহে প্ৰকাশ কৰে। যুগ পৰিৱৰ্ত্তনশীল। সেয়ে বৰ্তমান থিয়েটাৰ শিল্পই যাত্ৰা দলৰ প্ৰাসঙ্গিকতা বহুলাংশে ম্লান কৰিছে। তথাপিও দক্ষিণ কামৰূপৰ ছয়গাঁও, মিৰ্জা, বড়িহাট আদিত যাত্ৰাদল এতিয়াও বৰ্ত্তি আছে। সমাজিক বান্ধোন শিথিল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি তথাকথিত সম্ভ্ৰান্ত ঘৰৰ ল'ৰা-ছোৱালী অভিনয় শিল্পৰ লগত জড়িত হোৱাতো শুভ লক্ষণ। যিটো অতীতত বাধাৰ প্ৰাচীৰ আছিল। উদাহৰণ গদাপানীক জয়মতীৰূপী আইদেউ সন্দিকৈয়ে 'বঙহৰদেউ' কোৱা বাবে গোটেই জীৱনজুৰি আবিয়ৈ হৈয়ে থাকি গ'ল।

শেষত অতি দুখ আৰু মৰ্মবেদনাৰে আক্ষেপ কৰিবলৈ বাধ্য হৈছো যে বৰ্তমান বকো অঞ্চলত নাট্য শিল্প সম্পূৰ্ণ ৰূপে বন্ধ হৈ গ'ল। এটা কাৰণ দৰ্শাব পাৰিব যে আজিৰ যুৱ প্ৰজন্মই শৈক্ষিক ব্যৱসায়িক ক্ষেত্ৰত বেছিকৈ আত্ম নিয়োগ কৰিছে, যাৰ কাৰণে সময়ৰ অভাৱ। কিন্তু আগৰ জ্যেষ্ঠসকলো কৰ্ম ব্যস্ততাৰ মাজতে আছিল। তাৰ মাজতো সময় উলিযাই নাট্য শিল্প ব্যাহত হ'ব দিয়া নাছিল। আজিৰ প্ৰজন্মৰ বাবে এইটো শুভ-লক্ষণ নহয়। নতুন প্ৰজন্মক এই বিষয়ত চিন্তা কৰিবলৈ অনুৰোধ জনালোঁ। টোকাটো যুগুত কৰোতে সময় একেবাৰে নাপালোঁ। ব্যস্ততাৰ বাবে বৈ যোৱা ভুল ক্ৰুটিৰ বাবে সবাৰো ওচৰত আঠু ল'লোঁ। পৰৱৰ্ত্তী সময়ত বিতং তথ্য সহকাৰে যাত্ৰাপাৰ্টী বা নাট্য শিল্পৰ ওপৰত লিখাৰ প্ৰচেষ্টা অব্যাহত থাকিব।

# বকো অঞ্চলত শিক্ষাৰ বন্তি জ্বলোৱা মৌমান সেৱাশ্ৰম

প্ৰফুল্ল বালা দাস
মৌমান সেৱাশ্ৰম

বকো অঞ্চলত মৌমান আৰু জাৰাপাৰা গাঁৱৰ বিশেষ ঐতিহ্য আছে। কাৰণ এই দুখন গাঁৱতে বকো অঞ্চলত শিক্ষাৰ পোহৰ বিলোৱা কেইবাখনো শিক্ষানুষ্ঠান অৱস্থিত। এই কেইখন হ'ল -

(১) মৌমান সেৱাশ্ৰমত মৌমান বুনিয়াদি প্ৰাথমিক বিদ্যালয়, ১৯৪৪ চন।

(২) জৱাহৰলাল নেহৰু মহাবিদ্যালয়, ১৯৬৪ চন।

(৩) লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংস্থা হিন্দী মহাবিদ্যালয় ১৯৬৫ চন, মৌমান সেৱাশ্ৰম।

(৪) পূৰ্ণ চন্দ্ৰ দাস প্ৰাথমিক বিদ্যালয়,জাৰাপাৰা, ১৯৭২।

(৫) কলেজ অৱ এডুকেশ্বন, বকো ১৯৯৮ চন।

(৬) বকো কনিষ্ঠ মহাবিদ্যালয়, ২০০৭।

বৰ্তমান মৌমান সেৱাশ্ৰম যি ঠাইত বিদ্যমান, আজিৰ পৰা ৭০ বছৰ আগত কি আছিল তাত? এখন অতি বৃহৎ অৰণ্য, গছ-গছনি-জংঘলেৰে ভৰা বাঘ, ভালুকৰ বিচৰণ থলী আছিল সেই ঠাইখনি। মানুহৰ মৃতদেহসমূহ পেলাই থৈ গৈছিল সেই হাবিত। অৰ্থাৎ মৰিশালী আছিল এই ভূমিখিনি। ( বৰ্তমান পুৰি পেলোৱা হয় মৃতদেহ)।

এই অৰণ্যত এক ক্ৰান্তিৰ সূচনা হৈ ১৯৪৪ চনৰ ১৯ এপ্ৰিলত স্থাপিত হ'ল এক লেখত ল'বলগীয়া খাদী অনুষ্ঠান 'মৌমান সেৱাশ্ৰম'ৰ। সেই সময়ৰ স্বাধীনতা আন্দোলনৰ এজন আগৰণুৱা অসম পুত্ৰ স্বৰ্গীয় ভূৱন চন্দ্ৰ দাসদেৱৰ মহাত্মা গান্ধীৰ উপদেশ অনুসৰি ভিতৰুৱা গাঁৱত খাদী বস্ত্ৰৰ ব্যৱহাৰ আৰু লোকসকলক স্বাধীনতা তথা দেশপ্ৰেম সম্পৰ্কে জ্ঞাত কৰাৰ এক মহৎ উদ্দেশ্যেৰে তেখেতে সুদূৰ বৰপেটাৰ পৰা আহি ইয়াত এই অনুষ্ঠানৰ জন্ম দি ঠাইখিনিক এক নতুন পথৰ সন্ধান দিছিল। সৌভাগ্যক্ৰমেই স্বৰ্গীয় ভুৱন চন্দ্ৰ দাসৰ সহধৰ্মিনী স্বৰূপে বিবাহ পাশত বান্ধ খাই এই অনুষ্ঠানৰ সৈতে মোৰ সম্পৰ্ক হ'ল।

১৯৪৯ চনত নকৈ বিয়া হৈ মই মৌমান সেৱাশ্ৰমলৈ আহিছিলোঁ। তেতিয়া মৌমানলৈ অহাৰ কোনো সু-যাতায়ত ব্যৱস্থা নাছিল। অবিশ্বাস্য যে সেই সময়ত হাহিম ৰাস্তাটো সুৰসুৰীয়া বাট আৰু দুয়োকাষে অটব্য জংঘল আছিল। সেই হাবি দেখিয়েই মোৰ চকু পানী ওলাইছিল । বৰ্তমান সেই ৰাস্তাটোৰে দুয়োকাষে ঘন বসতি। কিন্তু সেই সময়ত মানুহবোৰে ৰাস্তাৰ কাষত ঘৰ নাবান্ধিছিল দেও-ভূত থাকে বুলি।

সেই সময়ত আশ্ৰমৰ বৰ্তমানৰ হোষ্টেলটো আটাইতকৈ ডাঙৰ ঘৰ আছিল আৰু অফিচ ঘৰৰ পিছপিনে যিটো সৰু ঘৰ আছিল তাত আমি আছিলোঁ। বাকী চাৰিওপিনে জংঘল। আশ্ৰমৰ ঘৰটো য'ত মদাৰ গছ জোপা আছে, তাতে ল'ৰা-ছোৱালীক শিকোৱা ঘৰ (বুনিয়াদী বিদ্যালয়) খেৰেৰে বন্ধা আছিল। আশ্ৰম প্ৰতিষ্ঠা কৰিয়েই প্ৰথম কাম হাতত লৈছিল গাঁৱৰ ল'ৰা-ছোৱালীবিলাকৰ কাৰণে শিক্ষাৰ ব্যৱস্থা কৰা। সেয়ে বুনিয়াদী বিদ্যালয়খন স্থাপন কৰা হৈছিল। আৰু এইখনেই পিছলৈ বৰ্তমানৰ 'মৌমান প্ৰাথমিক বিদ্যালয়' নামেৰে ইয়াৰ পৰা উঠাই নি ৰাইজে সকলোৰে সুবিধাৰ্থে বৰ্তমানৰ ঠাইত বান্ধে। কাৰণ বুনিয়াদী বিদ্যালয়ৰ প্ৰতি ৰাইজৰ আস্থা নাছিল। ইয়াৰ পিছত আশ্ৰমত সূতা কটা, কাপোৰ বোৱা আদি কাৰ্য হাতত লয়। কাঠমিস্ত্ৰী, খেতি, তেলপেৰা অদি কাৰ্য চলোৱা হয়। আৰু এই নতুন নতুন কামবোৰৰ দ্বাৰা শিক্ষা দিয়া হৈছিল। ইয়াৰ সকলো কামত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল শ্ৰীকাতিৰাম ৰাভা আৰু স্বৰ্গীয় নবীন কলিতাদেৱে।

এই অনুষ্ঠান-প্ৰতিষ্ঠান আৰু দাসদেৱৰ বিষয়ে আৰু কিছু কথা নৱ প্ৰজন্মৰ জ্ঞাতাৰ্থে জনাব লাগিব। আগেতই উল্লেখ কৰিছোঁ যে তেখেতৰ জন্ম স্থান হৈছে মহান পৱিত্ৰ স্থান বৰপেটা সত্ৰ। এখন অতি পুৰণি চহৰ বৰপেটা । সেই ঠাইৰ গলিয়া হাটীত তেখেতৰ জন্ম । সৰুতে মাক দেউতাক স্বৰ্গগামী হোৱাত খুৰাক স্বৰ্গীয় গোপাল চন্দ্ৰ দাসে নিজৰ ল'ৰাৰ দৰে প্ৰতিপালন কৰি

ডাঙৰ-দীঘল কৰে। এজন সৰু খুৰা আছিল গোবিন্দ দাস, দুই ভাইৰ মাজত প্ৰথম ল'ৰা হিচাপে খুব মৰমৰ আছিল।

মজলীয়া বিদ্যালয়ৰ ছাত্ৰ হৈ থাকোঁতে ভাৰতৰ স্বাধীনতাৰ আন্দোলনৰ বিপ্লৱী বাতাবৰণে গোটেই দেশৰ মানুহবোৰক বলীয়াৰ দৰে কৰি তুলিছিল। সমগ্ৰ ভাৰতৰ লগতে অসমবাসীৰ অন্তৰতো ইয়াৰ প্ৰভাৱ পৰিছিল আৰু স্কুল, কলেজ বাদ দি সকলোৱে এই আন্দোলনত জপিয়াই পৰিছিল। এই আন্দোলনৰ ধুমুহাতে মোৰ স্বামী স্বৰ্গীয় দাসদেৱেও স্কুল এৰি আন্দোলনত জপিয়াই পৰিছিল। তেতিয়া তেওঁ অতি সৰু ল'ৰা আছিল যদিও ক্ষমা নকৰি পুলিচে তেওঁক থানলৈ ধৰি লৈ গৈছিল। সেই সময়ত বৃটিছৰ শাসনে কাকো ক্ষমা কৰা নাছিল। বৰপেটা জেলত জেইলাৰে আন্দোলনত পুনৰ যোগদান নকৰো বুলি লিখি দিব দিছিল। কিন্তু তেখেতে লিখি নিদিলে। সেয়ে জেলত থাকোঁতে আন্দোলনৰ বিভিন্ন সন্মানীয় নেতাসকলক লগ পাইছিল আৰু বিভিন্ন আলোচনা কৰিছিল। জেলৰ পৰা ওলোৱাত সকলোৱে কি কৰিব সেই সম্বন্ধে আলোচনা চলিছিল। আমাৰ সন্মানীয় নেতা গোপীনাথ বৰদলৈয়ে উপদেশ দিছিল-"তোমালোকে আগতে যি কৰি আছিলা, সেই কাম কৰা গৈ"। আমাৰ এখেতে কৈছিল 'মইতো স্কুলত পঢ়ি আছিলোঁ, মই কি কৰিম?' বৰদলৈদেৱে কৈছিল তুমি স্কুলত পঢ়িবাগৈ। দাস দেৱে কলে - মই ইংৰাজৰ স্কুলত নপঢ়ো, গতিকে আমি কি কৰিব লাগে তাকে কওক। তেতিয়াই আগতে উল্লেখ কৰাৰ দৰে গান্ধীজীৰ আদৰ্শত পিছপৰা গাঁৱলৈ গৈ কাম কৰাৰ কথা ক'লে। দাসদেৱে যেতিয়া তেনে কোনো গাঁৱৰ কথা নাজানে বা চিনি নাপাওঁ বুলি কলে, তেতিয়া বৰদলৈদেৱে 'বকো' নামৰ এখন পিছপৰা জনজাতীয় ঠাইলৈ যোৱাৰ কথা ক'লে । বৰদলৈদেৱে বকোক খুব ভাল পাইছিল।

সেয়ে দাসসেৱে জেলৰ পৰা ওলাই ঘৰলৈ নগ'ল, পোনে পোনে বকোলৈ আহিছিল গুৱাহাটীৰ পৰা। তেখেতৰ লগত আহিছিল নগাঁৱৰ শ্ৰীযুত মথুৰা নাথ লহকৰ। তেখেত জেলৰ সংগী আৰু স্বাধীনতা কৰ্মী আছিল। দুয়ো খোজ কাঢ়ি গুৱাহাটীৰ পৰা বকোলৈ আহিছিল। কাৰণ সেই সময়ত বাছৰ ব্যৱস্থা নাছিল। ৩ দিনৰ মূৰত বকো পাইছিল। সেই সময়ত বকোৰ ডাকুৱাপাৰা নিবাসী মুক্তিযোদ্ধা শ্ৰীপূৰ্ণচন্দ্ৰ দাসদেৱৰ তাত ভাত-পানী খাইছিল। বৰ্তমানৰ ডাকুৱাপাৰা প্ৰাথমিক বিদ্যালয়ৰ ওচৰত আগৰ যিটো কেৰাচিন দিপো আছিল তাত সেই সময়ত কংগ্ৰেছৰ কাৰ্যালয় আছিল। তাতেই থাকি তেওঁলোকে বকোৰ বিভিন্ন গাঁওত ঘূৰি-ফুৰি চাফাই কৰা, কুঁৱাৰ পাৰ পৰিস্কাৰ কৰা, শৌচ-পেচাব যে য'তে ত'তে কৰিব নালাগে তাৰ সলনি পায়খানা সঁজা, মদৰ অপপ্ৰভাৱৰ বিষয়ে জ্ঞান দিয়া আদি কাম কৰিছিল। সেই সময়ত বকোত স্কুল নাছিল। স্কুল আছিল ছয়গাঁৱত। গতিকে অৱস্থাপূৰ্ণ মানুহে ছয়গাঁৱত থৈ শিক্ষা দিছিল ল'ৰা-ছোৱালীক। ছোৱালীৰ শিক্ষাৰ প্ৰচলন তেতিয়া বকোত নাছিল। এই কথাবোৰ ঘৰে ঘৰে গৈ আলোচনা কৰিছিল।

গতিকে গলেবোকা, কোচপাৰা, লেপগাঁও আদি ঠাইত আগতে স্কুল আৰম্ভ কৰিছিল। এল.পি. স্কুল পঢ়া বা অ, আ, ক,খ আখৰবোৰ জনা যি কেইজন লোক আছিল, তেওঁলোকক অভিজ্ঞ বুলি মানি শিক্ষক হিচাপে গাঁৱে নিৰ্দ্ধাৰণ কৰিছিল। লগতে আগতে উল্লেখ কৰাৰ দৰে আশ্ৰমতো বুনিয়াদী স্কুল স্থাপন কৰিছিল। ইয়াতো ল'ৰা-ছোৱালীবোৰক আখৰৰ জ্ঞান দিয়া হৈছিল। এইদৰে লাহে লাহে বকো অঞ্চলত ভিন্ন শিক্ষানুষ্ঠান গঢ় লৈ উঠিছিল।

১৯৬৫ চনত এক নতুন দিশৰ সূচনাৰে প্ৰতিষ্ঠা হ'ল লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংস্থাৰ। এই হিন্দী মহাবিদ্যালয়ৰ পৰা উত্তৰ পূৰ্বাঞ্চলৰ বহু ছাত্ৰ-ছাত্ৰীয়ে হিন্দী ভাষাৰ শিক্ষাগ্ৰহণ কৰি অসম ৰাষ্ট্ৰ ভাষাৰ প্ৰচাৰ সমিতিয়ে চলোৱা বা ভিন্ন শিক্ষা প্ৰতিষ্ঠানত শিক্ষকতা কৰি আছে। এই হিন্দী শিক্ষা ক্ৰমে পৰিচয়, প্ৰথমা, প্ৰৱেশিকা, প্ৰবোধ, বিশাৰদ, প্ৰবীন এই স্তৰ অনুসৰি বৰ্তমানো প্ৰদান কৰি থকা হৈছে।

এই অনুষ্ঠানৰ প্ৰতিষ্ঠা কৰি দাসদেৱে ১৯৮৩ চনত ইহলীলা সম্বৰণ কৰে। ৪০ বছৰ অতি কষ্টেৰে অনুষ্ঠানখন গঢ়ি তুলি সুপ্ৰতিষ্ঠিত কৰি তেখেত স্বৰ্গগামী হয়।

- এই অনুষ্ঠানখন কেৱল মৌমানৰে, নহয় সমগ্ৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ এখন উল্লেখযোগ্য প্ৰতিষ্ঠান । সেই সময়ত অসম বুলিলে মেঘালয়, মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড, মিজোৰাম, অৰুণাচল প্ৰদেশ, অসম এই আটাইকেইখন মিলি আছিল আৰু এই অনুষ্ঠানখন দেশ স্বাধীন নহওঁতেই স্থাপন কৰা বাবে সকলোৱে গান্ধীজীৰ আদৰ্শৰ প্ৰতিষ্ঠান বুলি সন্মান কৰিছিল। এই অনুষ্ঠানৰ অসমৰ লগতে সমগ্ৰ ভাৰতবৰ্ষৰ সৈতে সম্পৰ্ক আছে। বিভিন্ন জন সন্মানীয় ব্যক্তিয়ে এই সেৱাশ্ৰমলৈ আহিছিল। ৰাজ্যপাল দৌলতৰাম দেৱেও ইয়ালৈ আহি গৈছে। ইয়াৰ উপৰিও সতীশ দাস গুপ্ত, কানু গান্ধী আদি মহান ব্যক্তিসকল ইয়ালৈ আহি গৈছে। লগতে গোপীনাথ বৰদলৈ, মহেন্দ্ৰ চৌধুৰী, বিষ্ণু মেধি, সিদ্ধি শৰ্মা, ৰূপনাথ ব্ৰহ্ম, বিমলা প্ৰসাদ চলিহা,

অমিয় কুমাৰ দাস, পুষ্পলতা দাস, ডাঃ ভুৱনেশ্বৰ বৰুৱা, ডাঃ হৰেকৃষ্ণ দাস, ডাঃ তিলোত্তমা ৰায় চৌধুৰী, অমল প্ৰভা দাস আদি ব্যক্তিসকল কোনোবাজন ৰাজ্যপাল বা বিধায়ক হৈও সেৱাশ্ৰমখন পাহৰা নাছিল। তেওঁলোকে এই আশ্ৰমখনক পূণ্য ভূমি কৰি থৈ গৈছে আৰু তেওঁলোকৰ আশীৰ্বাদতেই এই সেৱাশ্ৰম বৰ্তমানেও স্বগৌৰৱেৰে জিলিকি আছে। শ্ৰদ্ধাৰ ককা কালেল কাল দেৱ হিন্দী শিক্ষাৰ প্ৰবোদ স্তৰৰ কিতাপত মৌমান সেৱাশ্ৰমৰ বিষয়ে লিখা এতিয়াও আমাৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি আছে। বাবা বিনোৱা ইয়ালৈ দুবাৰ আহিছিল আৰু এবাৰ তেখেত ৫ দিন ইয়াত থাকি অসমৰ মন্ত্ৰী বিধায়কসকলক মাতি মিটিং কৰি গৈছে। সেয়ে উত্তৰ-পূৰ্বাঞ্চলৰ যিবোৰ এনে অনুষ্ঠান আছে ইয়াত খাদীৰ কাম আৰু বিভিন্ন সমাজ সেৱামূলক কামৰ প্ৰশিক্ষণ লৈ গৈ নিজ কৰ্ম ক্ষেত্ৰ নিৰূপণ কৰিছে।

এই অনুষ্ঠানটো অসম খাদী গ্ৰাম্য বোৰ্ড আৰু খাদী গ্ৰাম্য উদ্যোগ কমিচন জন্ম নহওঁতেই খাদী গ্ৰাম্য উদ্যোগৰ প্ৰশিক্ষণ প্ৰাপ্ত ল'ৰা-ছোৱালীয়ে অসম খাদী বোৰ্ড আৰু খাদী গ্ৰাম্য উদ্যোগ কমিচনত চাকৰি সংস্থাপন পায়।

১৯৬৩ চনত পূজ্য বিনোৱা ভাবে গোৱালপাৰা হৈ অসমলৈ আহে। তেখেতে মৌমান গাঁৱৰ সৈতে জড়িত কৰি মৌমান সেৱাশ্ৰম কৰাৰ পাছতে সমগ্ৰ সেৱাশ্ৰমখনকে উত্তৰ পূৰ্বাঞ্চলৰ লগত জড়িত কৰে। তেখেতে এই সময়তে গ্ৰামদানৰ এক নতুন যুগৰ সূচনা কৰে। ১৪ খন গ্ৰামদানী গাঁৱৰ ভিতৰত চকাবাহা, মৌমান গাঁৱৰ সুনাম আছে। সুনাম নৱপ্ৰজন্মই অটুত ৰাখিব লাগিব । কাৰণ আমাৰ গাঁওসমূহত কিছুমান অপশক্তিয়ে গা কৰি উঠিছে। যাৰ ফলত গোটেই সমাজখনৰ ক্ষতি হৈছে।

এই অপশক্তিসমূহৰ প্ৰভাৱতেই বৰ্তমানে আমাৰ সমাজত ভিন্ন ধৰণৰ চোৰ-ডকাইত, কোনো ৰাজহুৱা ঘৰ-দুৱাৰ খিড়িকি কাটি নিয়া, ছোৱালী বা মহিলাক অপব্যৱহাৰৰ ঘটনা বৃদ্ধি পাইছে। আগৰ দিনত মানুহবোৰে লিখা-পঢ়া নাজানিছিল। কিন্তু কোনো বেয়া মনোভাৱ নোহোৱাকৈ আটায়ে ৰাম ৰাজ্যৰ দৰে বাস কৰিছিল। ঠিক সেইদৰে বৰ্তমানো নৱ প্ৰজন্মই এই ব্যস্ত সমাজত অপশক্তিক নাশ কৰি নিজে এখন সজ সমাজ গঢ় দিবলৈ মাৰ বান্ধি থিয় হ'ব লাগিব। কাৰণ সৎ কামত সৎ চিন্তাত ভগৱানে সহায় কৰে।

বকো অঞ্চলৰ আই মাতৃসকলৰ মহিমাও অতুলনীয়। সেই সময়ত লেখা-পঢ়া নজনা মাতৃসকলে ঘৰৰ সকলো কাম কৰাৰ উপৰিও খেতি-বাতিৰ কামত সহায় কৰিছিল আৰু বজাৰলৈ বস্তু নি বিক্ৰী কৰিছিল আৰু যাৱতীয় সামগ্ৰী কিনিছিল। সেই পৰম্পৰা বৰ্তমানো চলি আছে। তেতিয়াৰ মহিলাসকলে গাঁৱৰ উন্নতিৰ বিষয়ে চিন্তা কৰিছিল। অকল নিজা কামতে ব্যস্ত থকা নাছিল। ল'ৰা-ছোৱালীবোৰক কেনেকৈ শিক্ষিত কৰিব পাৰি তাৰ চিন্তা কৰিছিল। মহিলা সমিতি পাতি সমিতিৰ পূঁজি সংগ্ৰহ কৰি সমূহীয়া কাম কৰি ধানৰ ভঁৰাল কৰিছিল। দুখীয়া পৰিয়ালে বিপদত মাটি বন্ধকত থোৱাবোৰ সমিতিয়ে সমিতিৰ পূঁজিৰ পৰা উলিয়াই সেই পৰিয়ালটোক খেতি কৰিবলৈ দিছিল। বৰ্তমানে কিন্তু এনে মনোবৃত্তিবোৰ কমি যোৱা অনুভৱ কৰিছোঁ।

তেনেদৰে সভা সমিতিলৈ যাবলৈ মানুহবোৰ বৰ আগ্ৰহী আছিল। সভাখনৰ পৰা কিছু কথা জানিব পাৰিব বুলি ভাবি ৭-৮ মাইল খোজ কাঢ়ি সভা থলীলৈ গৈছিল। আজিকালি গাড়ী-মটৰ হৈছে যদিও কোনো লাভৰ আশা নাথাকিলে মানুহবোৰে সভালৈ নাযায়। এই অঞ্চলৰ এনে কিছু ব্যক্তি আছিল, যি সকলে সামাজিক চেতনাৰে জীৱন কটাই স্বৰ্গগামী হ'ল। তেওঁলোকে আমাক তথা নৱ প্ৰজন্মক শক্তি দিয়ক, যাতে এই অঞ্চলটোক সংগঠিত কৰি উন্নতিৰ শিখৰলৈ লৈ যাব পাৰে।

মই বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে আটাইকে শুভকামনা যাঁচিলোঁ। লগতে এটি অনুৰোধ জনাব বিচাৰিছোঁ যে বৰ্তমানলৈ যি বিষয় ইয়াত সন্নিবিষ্ট কৰা হোৱা নাই, সেই বিষয়সমূহৰ ব্যৱস্থা কৰি এই অঞ্চলৰ দুখীয়া ল'ৰা-ছোৱালীবোৰক ইয়াত থাকিয়েই শিক্ষা গ্ৰহণৰ সুবিধা কৰি দিবলৈ যৎপৰনাস্তি চেষ্টা কৰে যেন।

এইখিনিতে মৌমান সেৱাশ্ৰম বুনিয়াদী বিদ্যালয়ৰ ছাত্ৰসকলেৰে পৰিচিত, বকো স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা কামৰূপ সাহিত্য বঁটা পোৱা 'কামৰূপ ৰত্ন' শ্ৰীযুত খগেন বায়নদেৱৰ সৈতে নৱ প্ৰজন্মক চিনাকি কৰি দিব বিচাৰিলোঁ। তেখেত এক উজ্বল জ্যোতিষ্ক বকো অঞ্চলৰ বাবে। তেখেতে বুনিয়াদী স্কুলৰ প্ৰথম ছাত্ৰ হিচাপে নিদৰ্শন দাঙি ধৰিছে যে যত্ন কৰিলে ৰত্ন পায়।

শেষত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ জয় হওঁক।
জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো।
জয়তু সোণালী জয়ন্তী উৎসৱ।

○○○

# বকো অঞ্চলত হিন্দী শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ

তৰা ৰায়ন
প্ৰাক্তন ছাত্ৰী

১৯৪৪ চনত মৌমান সেৱাশ্ৰম প্ৰতিষ্ঠা হোৱাৰ পৰা বকো অঞ্চলত হিন্দী শিক্ষাৰ এক বাতাবৰণ গঢ়ি উঠে। প্ৰখ্যাত মুক্তিযোদ্ধা স্বৰ্গীয় নবীন চন্দ্ৰ দাস, ভুবন চন্দ্ৰ দাস, মথুৰানাথ লহকৰ হিন্দী শিক্ষাৰ প্ৰতি আগ্ৰহী হৈ উঠে। তাহানিৰ ॅকলিতাই গুৱাহাটীৰ কে'বাখনো উচ্চ মাধ্যমিক বিদ্যালয়ত বিনা বেতনে হিন্দী শিক্ষাৰ পাঠদান কৰিছিল। স্কুলৰ প্ৰধান শিক্ষকসকলৰ লগত আলোচনা কৰি পাঠ্যক্ৰম তালিকা মিলাই লৈ ইখনৰ পিছত সিখন বিদ্যালয়লৈ গৈ পাঠদান কৰাত ব্যস্ত হৈ পৰিছিল। তাৰ পিছত মৌমান সেৱাশ্ৰমলৈ আহি ॅভূৱন চন্দ্ৰ দাসৰ সৈতে আলোচনা কৰি হিন্দী শিক্ষাৰ এক অনুকূল পৰিবেশ গঢ়ি তুলিছিল। কৰকাপাৰা হেমচন্দ্ৰ বুনিয়াদী বিদ্যালয়ত ॅ মথুৰা নাথ লহকৰে হিন্দী শিক্ষাৰ আঁত ধৰিছিল। বকো হাইস্কুলত প্ৰথম হিন্দী শিক্ষক আছিল হাহিমৰ শ্ৰীচেনিৰাম ৰাভা। তেওঁ চাকৰি সংক্ৰান্তত দিল্লীলৈ যোৱাত পাঠশালাৰ ॅ অৰুণ চন্দ্ৰ শৰ্মালৈ বকো হাইস্কুলত হিন্দী শিক্ষক হিচাপে নিযুক্তি লাভ কৰে। ॅশৰ্মা হিন্দী শিক্ষক হিচাপে নিযুক্তি লাভ কৰি পাঠশালালৈ যোৱাত সেই সময়ৰ বকো হাইস্কুলৰ প্ৰধান শিক্ষক ॅ অচ্যুৎ কান্ত অধিকাৰীয়ে ১৯৫৬ চনৰ জুন মাহৰ ২৪ তাৰিখে গুৱাহাটী ভূদান আন্দোলনৰ কামত ব্ৰতী হৈ থকা আমাৰ দেউতা শ্ৰীখগেন বায়নক বিচাৰি আনি বকো হাইস্কুলত হিন্দী শিক্ষক হিচাপে নিযুক্তি দিয়ে। দেউতাই ইতিমধ্যে হিন্দী শিক্ষক প্ৰশিক্ষণ সম্পূৰ্ণ কৰিছিল। ইয়াৰ পিছত ১৯৬৪ চনত শ্ৰীসৰ্বেশ্বৰ মহন্তই দ্বিতীয়গৰাকী হিন্দী শিক্ষক হিচাপে বকো হাইস্কুলত নিযুক্তি লাভ কৰে।

ॅভূবন চন্দ্ৰ দাসৰ ঐকান্তিক প্ৰচেষ্টাত মৌমান সেৱাশ্ৰম অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ হিন্দী শিক্ষণৰ আঁচনিৰ অন্তৰ্ভুক্ত হয়। সেই দিনৰে পৰা বৰ্তমানলৈকে অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ পাঠ্যক্ৰম অনুসৰি পৰিচয়ৰ পৰা প্ৰবোধলৈকে হিন্দী শিক্ষাৰ পাঠদান কৰি অহা হৈছে। আশ্ৰমৰ পৰিচালিকা শ্ৰীমতী প্ৰফুল্ল বালা দাসে হিন্দী প্ৰচাৰৰ কামত ইন্ধন যোগাই আহিছে। বৰ্তমানলৈকে শ্ৰীমতী দাসে বিদ্যালয়খনৰ গুৰি ধৰি আছে।

১৯৬৪ চনত বকো ৰাষ্ট্ৰভাষা বিদ্যালয় স্থাপন হয়। ইয়াৰ প্ৰথম অধ্যক্ষ আছিল দেউতা শ্ৰীখগেন বায়ন। দেউতাক সহায় কৰিছিল সৰ্বশ্ৰী সৰ্বেশ্বৰ মহন্ত, প্ৰভাত বড়ো, জামালুদ্দিন খান, মদন কলিতা, নিৰঞ্জন মহন্ত, শিবচৰণ কলিতা আৰু আদিত্য মহন্তই। ২০১০ চনত স্বাস্থ্যজনিত কাৰণত দেউতাই অধ্যক্ষৰ দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ পিছত শ্ৰীসৰ্বেশ্বৰ মহন্তই বৰ্তমানলৈকে অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰি আছে। বকো ৰাষ্ট্ৰভাষা বিদ্যালয়ত অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ পৰিচয়, প্ৰথমা, প্ৰবেশিকা, প্ৰবোধ, বিশাৰদ আৰু প্ৰবীনলৈকে পাঠদান কৰা হয়। ইয়াত প্ৰবীনলৈকে অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ পৰীক্ষা অনুষ্ঠিত হয়। বিশাৰদলৈকে পৰীক্ষা কেন্দ্ৰ বকো হাইস্কুলত আৰু প্ৰবীন পৰীক্ষাৰ কেন্দ্ৰ বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়। জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপকসকলে কেন্দ্ৰৰ দায়িত্ব সৰ্বান্তকৰণে পালন কৰি সহযোগিতা আগবঢ়াই আছে।

বৰ্তমান বকো ৰাষ্ট্ৰভাষা বিদ্যালয়ৰ ভৱন নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা এটি শকত অনুদান পোৱাৰ আশা দেখা গৈছে। বিদ্যালয়ৰ ভৱন নিৰ্মাণৰ বাবে বকো হাইস্কুলে আৱশ্যকীয় মাটি দিয়াত কৰ্তৃপক্ষৰ ওচৰত বকো ৰাষ্ট্ৰভাষা বিদ্যালয়ৰ পৰিচালনা সমিতি চিৰকৃতজ্ঞ হৈ থাকিব। বকো ৰাষ্ট্ৰভাষা বিদ্যালয়ৰ পৰা বহুজনে বিশাৰদ, প্ৰবীন, ডিগ্ৰী লৈ অঞ্চলটোৰ বিভিন্ন ঠাইত হিন্দী শিক্ষক হিচাপে সেৱা আগবঢ়াই আছে। ইয়াৰ বাবে বকো ৰাষ্ট্ৰভাষা বিদ্যালয় কৰ্তৃপক্ষই গৌৰৱ অনুভৱ কৰে।

১৯৬৪ চনতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় স্থাপিত হ'ল যদিও আজিলৈকে মহাবিদ্যালয়খনত হিন্দী বিষয়টোৰ পাঠদানৰ ব্যৱস্থা ন'হল। ফলত হিন্দী বিষয় লৈ পঢ়িবলৈ ইচ্ছুক বহুতো ছাত্ৰ-ছাত্ৰীয়ে ছয়গাঁও মহাবিদ্যালয়লৈ পঢ়িবলৈ যাবলগীয়া হৈছে। জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত হিন্দী বিষয়ৰ পাঠদানৰ ব্যৱস্থা নকৰি অঞ্চলটোৰ বহুতো ছাত্ৰ-ছাত্ৰীক হিন্দীত উচ্চ ডিগ্ৰী লোৱাৰ পৰা বঞ্চিত কৰা হৈছে। গান্ধীজীয়ে কৈছে - "ৰাষ্ট্ৰভাষা কে বিনা ৰাষ্ট্ৰ গুঙ্গা হৈ। জিনকী অপনী ভাষা নহীং হৈ বহ দেশ কমজোৰ হৈ।" গান্ধীজীৰ এই বাণী আৰু পণ্ডিত নেহৰুজীৰ ৰাষ্ট্ৰভাষা হিন্দীৰ প্ৰতি থকা ঐকান্তিকতাৰ প্ৰতি লক্ষ্য ৰাখি সোণালী জয়ন্তীৰ এই সোণালী ক্ষণত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই হিন্দী বিষয়ৰ পাঠদানৰ সু-ব্যৱস্থা কৰি বকো অঞ্চলৰ ৰাইজৰ বহুদিনীয়া আশা পূৰণ কৰিব বুলি আমি হেঁপাহেৰে বাট চাই ৰ'লো।

❂❂❂

# বাটাকুছি কস্তুৰবা কেন্দ্ৰ

ক্ষীৰমা শইকীয়া

প্ৰাক্তন পৰিচালিকা

কস্তুৰবা সেৱাশ্ৰম, বাটাকুছি, বকো

হাবিয়াস আছিল সকলৰ পৰাই কিবা এটা কৰাৰ। সহজ-সৰল পিতৃ-মাতৃৰ ৫টি সন্তানৰ ভিতৰত কনিষ্ঠতম আছিলোঁ। সম্পূৰ্ণ গাঁৱলীয়া পৰিবেশত ডাঙৰ হৈ স্বাৱলম্বনৰ নীতি শিক্ষা, কষ্টসহিষ্ণু মন আৰু মানৱক নিস্বাৰ্থ হিচাপে ভাল পোৱাৰ এখন বহল হৃদয় লাভ কৰিছিলোঁ।

শোণিতপুৰৰ জামুগুৰিহাটত জন্ম হোৱা গাঁওখনিত প্ৰতিষ্ঠা হোৱা 'সুৰভি' নামৰ পুথিভঁৰালটোত চলা অকণিৰ মেল আৰু সাংস্কৃতিক দিশত মাজে সময়ে চলি থকা কিছু প্ৰেৰণাদায়ক কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিলোঁ। লগতে শিশু উপযোগী কিতাপ আনি আজৰি পৰত পঢ়িছিলোঁ। তাৰ পৰা পোৱা শিক্ষণীয় সোৱাদসমূহে মধুৰ স্মৃতি হৈ আজিও পুৰঠ বয়সত আমনি কৰে। বাগৰি যোৱা সময়বোৰ কেতিয়াও ঘূৰি নাহে, কিন্তু সময়ত সেইখিনিয়েই লগৰী হৈ জীৱন বাটত সাৰথি হয়।

ইং ১৯৭৮ চনত অসম প্ৰাদেশিক কস্তুৰবা ট্ৰাষ্টৰ গ্ৰামসেৱিকা বিদ্যালয়ত এবছৰীয়া প্ৰশিক্ষণৰ সমাপ্তিত প্ৰথম কৰ্মস্থলী হিচাপে পঠাইছিল ডিব্ৰুগড় জিলাৰ ডিকম চাহ বাগিছাৰ ৰণুৱা উন্নয়ন কেন্দ্ৰটিলৈ। কিছুদিনৰ পিছত শিৱসাগৰৰ বকতা কস্তুৰবা কেন্দ্ৰ আৰু তাৰ এবছৰৰ পিছত কাছাৰ জিলাৰ মীৰ্জাপুৰ কস্তুৰবা কেন্দ্ৰটোত আছিলোঁ।

ইং ১৯৮১ চনৰ জুন মাহৰ এটি দিন। প্ৰাদেশিক কাৰ্যালয়ৰ নিৰ্দেশ অনুযায়ী দক্ষিণ কামৰূপৰ বকো অঞ্চলৰ বাটাকুছি কস্তুৰবা কেন্দ্ৰলৈ যাত্ৰা কৰোঁ। বাছৰ পৰা বকোত নামি ৩ টকাত এখন ৰিক্সা বন্দোবস্ত কৰি 'ধৰিত্ৰী বড়ো বাইদেউৰ লগত গন্তব্য স্থানলৈ আগবাঢ়িলোঁ। বাটৰ দুয়োকাষে দেখা পোৱা সুন্দৰ ওখ চাপৰ শিলবোৰৰ মাজৰ সেউজীয়া পাহাৰীয়া দৃশ্যাৱলীয়ে মন মুহি নিছিল। ক'ব নোৱাৰাকৈয়ে ৫ কিলোমিটাৰ পথ অতিক্ৰম কৰিলোঁ। বাৰিষাৰ একাঠু মান দ দ গাতেৰে আগুৱাব নোৱাৰা এটি কষ্টকৰ ৰাস্তা। মাজে মাজে ৰিক্সাখনৰ পৰা নামি নিজে ঠেলো। এবাৰ ৰিক্সা চালক থমকি ৰৈছিল এখন ভগা দলঙৰ কাষত। কাষতে খেলি থকা কেইটিমান কণ কণ শিশু আগবাঢ়ি আহি প্ৰশ্নবোধক দৃষ্টিৰে সুধিছিল 'নতুন বাইদেউ আহিছে হ'ব পাই'? শিশু কেইটিৰ শিশু সুলভ আকৰ্ষণীয় ব্যৱহাৰে প্ৰথম দৃষ্টিতেই মুহিত কৰিছিল। বিনা দ্বিধাই শিশু কেইটিয়ে দলঙৰ সিমূৰৰ পৰাই 'নমস্কাৰ' বুলি সম্ভাষণ জনাই আগবাঢ়ি আহি হাতে হাতে আমাৰ লগত নিয়া বস্তুখিনি ডাঙি নি ভগা দলঙৰ ওচৰৰ পৰা বাটাকুছি কস্তুৰবা কেন্দ্ৰটি পোৱালে। তেওঁলোকৰ আনন্দই চিনাকি দিছিল কস্তুৰবা কেন্দ্ৰটোৰ প্ৰতি থকা তেওঁলোকৰ অকৃত্ৰিম মৰম আৰু দায়বদ্ধতা।

ক্ৰমান্বয়ে কেন্দ্ৰত চলি থকা পূৰ্ব বুনিয়াদী বিদ্যালয়খনৰ কণ কণ শিশুৰ আধাফুটা মাতখিনিৰ লগতে আমাৰ প্ৰচলিত ভাষাৰ লগত মাত্ৰ আংশিক অমিল থকা কথা বতৰা বিলাকৰ দ্বাৰা আগবাঢ়ি গৈ থাকিলোঁ।

**পৰিচয়ঃ**

লাহে লাহে ইটো সিটো পৰিয়াল, ইখন সিখন গাঁও, বিভিন্ন বিষয়ৰ ওপৰত পতা মেল মিটিঙত অংশ গ্ৰহণ কৰিবলৈ ধৰিলোঁ। অকস্মাতে আহি পৰা গাঁৱলীয়া সমস্যাৱালী, স্ত্ৰী শক্তি জাগৰণক উদ্দেশ্য কৰি বহুতো উন্নয়ন খণ্ডৰ খণ্ডউন্নয়ন বিষয়াকে ধৰি মহিলা সম্প্ৰসাৰণ বিষয়া, গ্ৰামসেৱিকা, স্বাক্ষৰতা অভিযানৰ চৰকাৰী বিষয়া, কৰ্মচাৰী, মুক্তিযোদ্ধা, সমাজকৰ্মী, বহুতো শিক্ষক-শিক্ষয়িত্ৰীকে ধৰি সকলোৰে সহায়-সহযোগত মাহজোৱা অখণ্ড পদযাত্ৰা আদিত আদিত অংশগ্ৰহণ কৰিছিলোঁ। বকো মাতৃ সমাজ, বকো সাহিত্য সভা, বকো বনগাঁও আঞ্চলিক মহিলা সমিতি, মহিলা সমবায় সমিতি, আঞ্চলিক যুৱক সংঘ, আঞ্চলিক ছাত্ৰ সন্থা, চৰকাৰী-বেচৰকাৰী বিদ্যালয়, জৱাহৰলাল নেহৰু কলেজ, বকো, কলেজ অৱ এডুকেশ্বন, বকো, চমৰীয়া আঞ্চলিক কলেজ, ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়, সংহত শিশু উন্নয়ন আঁচনি, ৰাভা ছাত্ৰ সন্থা, আঞ্চলিক ৰঙালী বিহু

সন্মিলন আদিৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ সুবিধা পালোঁ।

অসম বিজ্ঞান সমিতিৰ পৰিচালনা আৰু কস্তুৰবা ট্ৰাষ্টৰ সহযোগত কেইবাটাও পৰিৱেশ সজাগতা শিৱিৰৰ যোগেৰে বহু কেইখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে ধৰি গাঁৱৰ যুৱক-যুৱতী সকলক লৈ শোভাযাত্ৰা কৰা, মহিলাৰ আইনগত অধিকাৰ সম্পৰ্কে পতা সজাগতা শিৱিৰ, মহিলা সবলীকৰণক ভিত্তি কৰি সম্পূৰ্ণ অৰ্হতা থকা সমল ব্যক্তিৰ দ্বাৰা শিক্ষা প্ৰদান কৰোৱা, মাদক দ্ৰব্য বৰ্জনৰ বাবে উলিওৱা শোভাযাত্ৰাৰ লগতে ৰাজহুৱা মিটিং শিশু পঞ্চায়তৰ দ্বাৰা শিশুৰ অধিকাৰ আৰু কৰণীয় সম্পৰ্কে পতা কৰ্মশালা আদি অংশগ্ৰহণ কৰিলোঁ। সুপৰামৰ্শ দাতাৰ দ্বাৰা পৰামৰ্শ আগবঢ়োৱা, বৃক্ষৰোপণ, ৰাজহুৱা অনুষ্ঠানত চাফাই অভিযান, সোণালী সূতা প্ৰকল্পৰ দ্বাৰা ৰেচম শিল্পত গাঁৱৰ মুগা পালক আৰু মুগা সূতা কাটি উন্নয়নৰ দিশত আগবঢ়োৱাৰ বাবে আঞ্চলিক পুৰুষ-মহিলা, যুৱক-যুৱতীৰ মাজত সজাগতা সভা কৰাৰ বাহিৰেও হাতে-কামে উদাহৰণ দেখুৱাবৰ বাবে 'ভীৰ' আৰু মুগা সূতা কটা উন্নতমানৰ মেচিনৰ দ্বাৰা অধিক উৎপাদনৰ ব্যৱস্থাৰে প্ৰশিক্ষণ দিয়া হ'ল। S.I.R.D ৰ জৰিয়তে কস্তুৰবা কেন্দ্ৰৰ সহযোগত মহিলাৰ আত্মসহায়ক গোটক এড়িসূতা, মুগাসূতা কটা মেচিন, কাপোৰ বৈ আৰ্থিক দিশত অগ্ৰগতি লভাৰ উদ্দেশ্য তাঁতৰ শালৰ যোগান ধৰাৰ বাহিৰেও আৰ্থিক সাহাৰ্য্য, ঘৰ সজাৰ সম্পূৰ্ণ যোগান ধৰা হয়। মৌ-মাখি পালনৰ প্ৰশিক্ষণ দিয়া, কস্তুৰবা কেন্দ্ৰতে ১৪ বাহ লৈ মৌ-মাখি পালন কৰি বহুতো ব্যক্তিক হাতে কামে শিকোৱা হয় আৰু বছৰটোত মৌ-ৰস কিছু বিক্ৰি কৰাৰ যোগেৰে কেন্দ্ৰৰ উৎপাদন কৰা হয়। জন শিক্ষণ সংস্থানৰ সঞ্চালক ড° চহৰীয়াৰ যোগেৰে আঞ্চলিক যুৱক-যুৱতীৰ মাজত ফেব্ৰিক, চিলাই আদিৰ উপৰিও শিক্ষিত যুৱকৰ মাজত ড্ৰাইভিং প্ৰশিক্ষণ দিয়াই স্বাৱলম্বি হ'বলৈ সুবিধা কৰি দিয়া হয়। মহিলা আত্ম সহায়ক গোটৰ মাজত ৬০০০(ছয় হাজাৰ) হাঁহ পোৱালি বিতৰণ কৰা S.I.R.D. ৰ যোগেৰে যুৱকৰ মাজত আত্ম সহায়ক গোটৰ দ্বাৰা বেপাৰ-বাণিজ্য কৰাৰ উদ্দেশ্যে এখন অটোভেন যোগান ধৰোৱা, বকো অন্তৰঙ্গ গোষ্ঠীৰ, অন্বেষা গ্ৰন্থমেলাত বকো সাহিত্য সভাৰ উদ্যোগত ৪-৫দিনিয়াকৈ পতা অনুষ্ঠানটোত লাৰু, পিঠা, জাম-জেলি, চৰ্ব্বত আদিৰ বিক্ৰিৰ ব্যৱস্থা কৰা হয়। সৎ গ্ৰন্থ বিক্ৰী কৰা বিশ্ব নাগৰী পত্ৰিকাৰ বহল প্ৰচাৰৰ বাবে গ্ৰাহক সংগ্ৰহ কৰা, অনাময় আঁচনিৰ জৰিয়তে স্বাস্থ্য সন্মত শৌচাগাৰ নিৰ্মাণ কাৰ্যত প্ৰায় ৫৭ খন গাঁৱত প্ৰচাৰৰ বাবে পূৰ্ণ অনাময় গাঁও হিচাপে চাৰিওখন গাঁৱত, প্ৰতিটো পৰিয়ালত এটিকৈ শৌচাগাৰৰ ব্যৱস্থা কৰি আদৰ্শ গাঁৱলৈ ৰূপান্তৰিত কৰা (ইং ১৯৯৫ চনত) আদিত অংশ গ্ৰহণ হ'ল। সেইদৰে ফল-মূল সংৰক্ষণৰ মাহজোৰা প্ৰশিক্ষণ দিয়াত সঞ্চালক শ্ৰীপাঞ্চিৰাম পায়েং, শ্ৰীমৃদুল ৰাভাৰ পূৰ্ণ সহযোগত বি.এ, এম.এ. পাছ শিক্ষিত বহু যুৱক-যুৱতীৰ মাজত অৰ্হতাপূৰ্ণ ব্যক্তিৰ দ্বাৰা শিক্ষা প্ৰদান কৰাত, কস্তুৰবা কেন্দ্ৰত কেঁচু সাৰৰ গাঁত তৈয়াৰ কৰি সাৰ তৈয়াৰ কৰা আদি কামৰ প্ৰশিক্ষণ দিয়া হ'ল। আনহাতে কেইবাগৰাকী মহিলাৰ সাংসাৰিক জীৱনত ঘটা ভুল বুজা-বুজি আৰু নিৰ্যাতন চলোৱাত গুৱাহাটীলৈ গৈ ডি.এচ.পি.ক লগ ধৰি সকলো বিৱৰণ জনোৱাৰ পিছত দোষীক উপযুক্ত শাস্তি দিয়া, জেল খটোৱা, নিৰ্যাতিতা মহিলাক কস্তুৰবা কেন্দ্ৰতে সপ্তাহলৈকে ৰাখি সুব্যৱস্থা কৰি দিয়াৰ দৰে কামো কৰা হ'ল। কাহিবামা গ্ৰামদানি গাঁওখনত গুৱাহাটীৰ মিতালী সংঘ, কস্তুৰবা কেন্দ্ৰ মিলিত হৈ ৪০ বিঘা মাটিত কমলা টেঙাৰ খেতি, জালুকৰ খেতিৰ বাবে উপযুক্ত সাৰ আৰ্থিক দিশেৰে সহায়-সহযোগ আগবঢ়োৱা হ'ল। প্ৰাকৃতিক দুৰ্যোগত ৰম্যপুৰৰ প্ৰাথমিক চিকিৎসালয়খনৰ এখনো টিং নোহোৱাকৈ বিধ্বস্ত হোৱা উদং ঘৰটোৰ টিনৰ সুব্যৱস্থাৰ বাবে বহু চেষ্টাৰ পিছতো বৰ্তমানলৈ জৰাজীৰ্ণ অৱস্থাতে পৰি থকা দৃশ্যাৱলীয়ে আজিও হৃদয়ত খুন্দা মাৰে। প্ৰকৃতাৰ্থত উক্ত অঞ্চলৰ জনতাৰ হিতাৰ্থে বিভাগীয় কোনো সদাশয় ব্যক্তিৰ দৃষ্টিগোচৰ হোৱাত কিয় ইমান পলম হৈ আছে - আজিও সেই অঞ্চলৰ লগতে আমাৰো সীমাহীন প্ৰশ্ন জাগে। এই অঞ্চলৰ ভিতৰুৱা ৰাইজৰ বাবে কস্তুৰবা কেন্দ্ৰৰ দ্বাৰা গুৱাহাটীৰ চিকিৎসা বিভাগৰ লগত জনস্বাস্থ্য কাৰীকৰী বিভাগৰ সহযোগত দুবাৰকৈ বিনামুলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয়। ৰাভা ছাত্ৰ সন্থাই আয়োজন কৰোৱা বিনামুলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰতো পূৰ্ণ সহযোগিতা আগবঢ়োৱা হয়। অসম ভিত্তিত কাছ-নাছে প্ৰস্তুত কৰা ৰাজহুৱা সভা, ডাইনী হত্যাৰ দৰে কুপ্ৰথাৰ বিৰোধ কৰা, অসম জ্ঞান-বিজ্ঞান সমিতিৰ লগত যুটীয়াভাবে সমাজৰ উন্নয়নমূলক কাম কৰা, স্থানীয় যুৱক-যুৱতীক লৈ যাতায়তৰ বাবে কষ্টকৰ ৰাস্তাত কিছুদূৰৰ পৰা শিল-বালি আনি দ-দ খালবোৰ পোতা, অৱহেলিত দুগৰাকী কন্যা সন্তানক উজ্জ্বল ভৱিষ্যতৰ ব্যৱস্থা কৰি দিয়া, পিতৃহীন দৰিদ্ৰ ঘৰৰ দুজন ল'ৰাক SOS Village ত থোৱাৰ দৰে আদি কামত সহায় আগবঢ়োৱা হ'ল। তাৰোপৰি আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস পালন, ৰাভা দিৱস, শিল্পী দিৱস,